সত্যমেৱ জয়তে

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

অসম চৰকাৰ

# ১৯৯৮-৯৯ চনৰ অসম চৰকাৰৰ বাজেট উত্থাপন উপলক্ষে

অসমৰ মুখ্যমন্ত্ৰী

## শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ

ভাষণ

২৩ মাৰ্চ, ১৯৯৮

REFERENCE
(NOT FOR ISSUE)
Reading Only State Library

মাননীয় অধ্যক্ষ মহোদয়,

আপোনাৰ অনুমতি সাপেক্ষে মই ১৯৯৮-৯৯ চনৰ বিত্তীয় বছৰটোৰ বাবে অসম চৰকাৰৰ বিত্তীয় প্ৰাক্কলন (Budget estimates) উত্থাপন কৰিব খুজিছো ।

২। মাননীয় সদস্য সকলে এই কথা নিশ্চয় জানে যে উগ্ৰপন্থী, সন্ত্ৰাসবাদী আৰু বিদ্ৰোহাত্মক কাৰ্য্যকলাপে ৰাজ্যখনৰ অৰ্থনীতিৰ লগতে ৰাজ্য চৰকাৰৰ বিত্তীয় ব্যৱস্থাৰ ওপৰতো প্ৰতিকুল প্ৰভাৱ পেলাইছে । চৰকাৰৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত ৰাজ্যখনলৈ বহুপৰিমাণে স্বাভাৱিক অৱস্থা ঘুৰাই আনিব পৰা হৈছে যাৰ ফলত ভাঙনমূখী অৰ্থনীতিৰ মোৰ সলনি হৈছে আৰু ই সঠিক পথত গতি কৰাৰ লক্ষণ পৰিলক্ষিত হৈছে । ফলত চৰকাৰে ৰাজ্যখনৰ কল্যাণমূলক আৰু উন্নয়নমূলক কাৰ্য্যক্ৰমনিকাৰ ওপৰত গুৰুত্ব দিবলৈ সক্ষম হৈছে ।

৩। বিত্তীয় প্ৰাক্কলন উত্থাপন কৰাৰ আগতে মই থোৰতে অৰ্থনৈতিক পৰিস্থিতি আৰু কেইটামান খণ্ডৰ কাৰ্য্যকৰণৰ চমু আভাস দিব বিচাৰিছো ।

ৰাজ্যিক আয়ঃ

৪। দ্ৰুত হিচাব অনুযায়ী ১৯৯৬-৯৭ বছৰটোৰ প্ৰকৃত ঘৰুৱা ৰাজ্যিক আয় (NSDP) চলিত মূল্যত ১৬,৮১১ কোটি টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ৪১০৭ কোটি টকা । ১৯৯৫-৯৬ চনৰ অস্থায়ী ঘৰুৱা ৰাজ্যিক আয় আছিল চলিত মূল্যত ১৫,৫৫৩ কোটি টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ৩৯৭২ কোটি টকা । গতিকে দেখা যায় যে, ১৯৯৫-৯৬ চনতকৈ ১৯৯৬-৯৭ চনত ৰাজ্যখনৰ প্ৰকৃত ঘৰুৱা আয় চলিত মূল্যত শতকৰা ৮.১ ভাগ আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) শতকৰা ৩.৪ ভাগ বৃদ্ধি পাইছে । দ্ৰুত হিচাব অনুযায়ী ১৯৯৬-৯৭ চনত ৰাজ্যখনৰ জনমূৰি আয় চলিত মূল্যত ৬৬৬৩ টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১) ১৬২৮ টকা । পূৰ্বৰ বিত্তীয় বছৰৰ অস্থায়ী হিচাব মতে জনমূৰি আয় যথাক্ৰমে ৬২৮৮ টকা আৰু ১৬০৬ টকা বুলি অনুমান কৰা হৈছিল ।

গতিকে শতকৰা হিচাবত ১৯৯৫-৯৬ বছৰতকৈ ১৯৯৬-৯৭ চনত জনমূৰি আয়ৰ পৰিমাণ চলিত মূল্যত শতকৰা ৬ ভাগ আৰু স্থিৰ মূল্যত শতকৰা ১.৪ ভাগ (আধাৰ বছৰ ১৯৮০-৮১) বৃদ্ধি পায় ।

**মূল্য ঃ**

৫। ১৯৯৭ চনৰ প্ৰথম ৮ মাহৰ গড় হিচাবে পাইকাৰী মূল্যসূচী ( আধাৰ বছৰ ১৯৫৩-১০০) আগৰ বছৰৰ অনুৰূপ সময়চোৱাৰ তুলনাত ৬.৬ শতাংশ বৃদ্ধি পায় । সেই একেদৰে শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্যসূচী (আধাৰ বছৰ ১৯৪৯-১০০) ১৯৯৭ চনৰ প্ৰথম ১১ মাহত ১৯৯৬ চনৰ অনুৰূপ সময়চোৱাৰ তুলনাত ৪.১ শতাংশ বৃদ্ধি দেখুৱায় ।

৬। অৱশ্যে ১৯৯৭ চনৰ বছৰটোত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ পৰিমাণ ১০ শতাংশ পৰা ২৩ শতাংশলৈকে বৃদ্ধি পাইছে । সাধাৰণ ৰাইজক মুদ্ৰাস্ফীতিৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ অত্যাৱশ্যকীয় সামগ্ৰী পৰ্য্যাপ্ত পৰিমাণে যোগান ধৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাক শক্তিশালী কৰাৰ প্ৰচেষ্টা ৰাজ্য চৰকাৰে অব্যাহত ৰাখিছে । চলিত বছৰৰ পৰা ৰাজ্য চৰকাৰে লক্ষ্যভিত্তিক ৰাজহুৱা বিতৰণ আঁচনি (T.D.P.S.) প্ৰবৰ্ত্তন কৰিছে । এই আঁচনিৰ অধীনত এতিয়ালৈকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ১৮ লাখ পৰিয়াল উপকৃত হৈছে । এই আচঁনিয়ে সৰ্ব্বসাধাৰণ ৰাইজক সকাহ দিয়াৰ উপৰিও মূল্যবৃদ্ধি ৰোধ কৰিব । ৰাজ্যখনত অপৰিহাৰ্য্য সামগ্ৰী সমূহৰ যোগান অব্যাহত ৰাখিবৰ কাৰণে চেম্বাৰ্ছ অফ কমাৰ্চৰ লগত নিয়মীয়া যোগসূত্ৰ ৰক্ষা কৰি থকা হৈছে ।

**নিয়োগ ঃ**

৭। নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ চলন্ত পঞ্জী অনুসৰি ৰাজ্যখনত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১৯৯৭ চনৰ জানুৱাৰী মাহৰ শেষত ১২.৮৯ লাখৰ পৰা ১৯৯৮ চনৰ জানুৱাৰী মাহৰ শেষলৈকে ১৫.০৬ লাখলৈ অৰ্থাৎ ১৬.৮ শতাংশ বৃদ্ধি হৈছে । চাকৰি বিচৰা প্ৰাৰ্থী সকলৰ ভিতৰত ১৯৯৮ চনৰ জানুৱাৰী মাহৰ শেষলৈকে শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা ৯.৮৫ লাখ অৰ্থাৎ মুঠ চাকৰি প্ৰাৰ্থীৰ ৬৫ শতাংশ । সেই তাৰিখত মহিলা চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ১.৮৯ লাখ আৰু অনুসূচীত জাতি, অনুসূচীত জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ চাকৰি প্ৰাৰ্থীৰ সংখ্যা যথাক্ৰমে ০.৮০ লাখ, ১.৪০ লাখ আৰু ৩.২২ লাখ ।

৮। বৰ্দ্ধিত নিবনুৱা সমস্যাৰ বিষয়টোলৈ চৰকাৰ চিন্তিত । ৰাজ্যখনৰ ব্যক্তিগত আৰু ৰাজহুৱা খণ্ড সমূহত কোনো ধৰণৰ নিয়োগমুখী বিনিয়োগ নোহোৱাত

কেৱল ৰাজ্য চৰকাৰেই হ'ল একক সৰ্ব্ববৃহৎ নিয়োগকৰ্ত্তা । বৰ্ত্তমান চৰকাৰী চাকৰিয়ালৰ সংখ্যা আৰু চৰকাৰৰ বিত্তীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নতুনকৈ চৰকাৰী চাকৰি সৃষ্টি কৰাটো সম্ভৱ নহয় । গতিকে চৰকাৰে প্ৰধানকৈ আত্মনিয়োজন আৰু ব্যক্তিগত খণ্ডসমূহক ৰাজ্যখনত বিনিয়োগৰ কাৰণে আকৰ্ষণ কৰি, এই সমস্যা সমাধানৰ কথা চিন্তা কৰিছে ।

**নৱম পঞ্চমবাৰ্ষিক পৰিকল্পনা ঃ**

৯। নৱম পঞ্চমবাৰ্ষিক পৰিকল্পনাত (১৯৯৭-২০০২) অসমৰ বাবে থুলমূলকৈ ৮৯৮৪ কোটি টকা ধাৰ্য্য কৰা হৈছে । নৱম পঞ্চমবাৰ্ষিক পৰিকল্পনাৰ বাবে পৰিকল্পনা আয়োগৰ দ্বাৰা আৱন্টিত কেন্দ্ৰীয় সাহাৰ্য্যৰ পৰিমাণ হ'ল ৭৪৯৭ কোটি টকা । ইয়াৰ ভিতৰত বহিঃসাহাৰ্য্যপুষ্ঠ প্ৰকল্প ৰূপায়ণৰ ৩২৮ কোটি টকা আৰু দশম বিত্তীয় আয়োগৰ ৪১১ কোটি টকা সোমাই আছে । নৱম পৰিকল্পনা কালছোৱাত পাৰ্ব্বত্য অঞ্চলৰ কাৰণে আৱন্টিত ধনৰ পৰিমাণ হৈছে ৫৯৯ কোটি টকা, জনজাতি উপ-পৰিকল্পনাৰ কাৰণে ৮৬১ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ কাৰণে ৫৭৬ কোটি টকা ।

১০। উচ্চস্তৰীয় আয়োগে (চুক্লা আয়োগ) নৱম পৰিকল্পনাৰ কালছোৱাত নুন্যতম প্ৰয়োজনীয় (BMS) সেৱাৰ বাবে ৩৯৫২ কোটি টকা নিৰূপন কৰিছে । সেৱাভিত্তিক নিৰূপণ কৰা পূঁজিৰ পৰিমাণ হৈছে গ্ৰামাঞ্চলত পানী যোগানৰ বাবে ৬২৮ কোটি টকা, নগৰ অঞ্চলত পানী যোগানৰ বাবে ১১৬ কোটি টকা, প্ৰাথমিক চিকিৎসা সেৱাৰ বাবে ৪৭৫ কোটি টকা, প্ৰাথমিক শিক্ষাৰ বাবে ৮৪২ কোটি টকা, গৃহহীন দাৰিদ্ৰ সকলৰ ৰাজহুৱা গৃহনিৰ্মাণ সাহাৰ্য্যৰ বাবে ১৬১৭ কোট টকা, গ্ৰামাঞ্চলৰ সংযোগী পথৰ বাবে ২৬৯ কোটি টকা আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালীকৰণৰ বাবে ৫ কোটি টকা ।

১১। চুক্লা আয়োগে ৰাজ্যখনৰ কিছুমান গুৰুত্বপূৰ্ণ খণ্ড যেনে জলসিঞ্চন, বাননিয়ন্ত্ৰন, শক্তি, ঘাই পথ আৰু আভ্যন্তৰীন জলপৰিবহণৰ আন্তঃগাথনিৰ বৈষম্য সমূহ আঁতৰাবলৈ বিভিন্ন পৰামৰ্শৱলী আগবঢ়াইছে । আয়োগে বিভিন্ন আন্তঃগাথনি সমূহৰ উন্নয়নৰ বাবে প্ৰয়োজন হব পৰা পূঁজিৰ পৰিমাণ ১৮,৮০৭ কোটি টকা বুলি উল্লেখ কৰিছে । ইয়াৰে নৱম পৰিকল্পনা কালছোৱাৰ বাবে প্ৰয়োজন হোৱা পূঁজিৰ পৰিমাণ ৪৪৯২ কোটি টকা । ইয়াৰ ভিতৰত নৱম পৰিকল্পনাত শিতান অনুযায়ী প্ৰয়োজন হোৱা পূঁজিৰ পৰিমাণ হৈছে, জলসিঞ্চনৰ বাবে ১০৮৫ কোটি টকা, বাননিয়ন্ত্ৰনৰ বাবে ৫০০ কোটি টকা, শক্তিৰ বাবে ১৬২৬ কোটি টকা, ঘাই পথৰ বাবে ১১০৭ কোটি টকা আৰু আভ্যন্তৰীন জলপৰিবহনৰ বাবে ১৭৪ কোটি টকা।

১২। চুক্তি আয়োগৰ পৰামৰ্শৱলী ৰূপায়ণৰ বাবে পৰিকল্পনা আয়োগে ১৯৯৭-৯৮ চনত নুন্যতম প্ৰয়োজনীয় সেৱা (BMS) আৰু আন্তঃগাথনি উন্নয়নৰ কাৰণে ২০৫.৭৩ কোটি টকা নিৰ্দ্ধাৰণ কৰিছে । ইয়াৰ কাৰণে এক কেন্দ্ৰীয় পুল (Central Pool) খোলাৰ কাৰণে কেন্দ্ৰীয় মন্ত্ৰী সভাই নীতিগত ভাৱে অনুমোদন জনাইছিল । কিন্তু একাদশ লোকসভা ভংগ হৈ যোৱাত ইয়াৰ কাৰণে আৱশ্যকীয় সংসদৰ অনুমোদন ল'ব পৰা নগ'ল । ফলত চলিত বিত্তীয় বছৰত এই শিতানত কোনো অতিৰিক্ত পূঁজি পোৱা নহ'ল । কিন্তু আগন্তুক বিত্তীয় বছৰত চুক্তি আয়োগৰ পৰামৰ্শৱলী ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পূঁজি পোৱা যাব বুলি আশা কৰা হৈছে ।

**বাৰ্ষিক পৰিকল্পনা ১৯৯৮-৯৯ ঃ**

১৩। ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ পূঁজি কেন্দ্ৰৰ নতুন চৰকাৰে আগন্তুক বিত্তীয় বছৰত চুড়ান্ত কৰিব । গতিকে বহিঃসাহাৰ্য্যপুষ্ঠ প্ৰকল্প শিতানৰ ৯৭ কোটি টকা ধৰি মুঠ ১৩২৬ কোটি টকা কেন্দ্ৰীয় সাহাৰ্য্য পূঁজি পোৱা হব বুলি অনুমান কৰি ১৯৯৮-৯৯ চনৰ পৰিকল্পনা শিতানৰ প্ৰাক্‌কলন উত্থাপন কৰা হৈছে । এই হিচাপমতে বাজেটত পৰিকল্পনা শিতানত মুঠ ১৫৫২ কোটি টকা ধৰা হৈছে । ইয়াৰে সাধাৰণ অঞ্চলৰ বাবে ১২০৩ কোটি টকা, পাৰ্বত্য অঞ্চলৰ বাবে ১৩৮.৬৭ কোটি টকা, বহিঃসাহাৰ্য্যপুষ্ঠ প্ৰকল্পৰ বাবে ৯৭ কোটি টকা আৰু দশম বিত্তীয় আয়োগৰ অধীনৰ উন্নয়নমূলক আঁচনিৰ বাবে ১১৩.৫৪ কোটি টকা । সাধাৰণ অঞ্চলৰ কাৰণে আবন্টিত পূঁজিৰ পৰা ১৪৮.১০ কোটি টকা জনজাতি উপ-পৰিকল্পনা আৰু ৮৮.৬৩ কোটি টকা অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে আছুটীয়াকৈ ৰখা হৈছে । ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনা শিতানত বহিঃসাহাৰ্য্যপুষ্ঠ প্ৰকল্প আৰু দশম বিত্তীয় আয়োগৰ পৰা পোৱা আৱন্টন বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত চলিত বিত্তীয় বৰ্ষতকৈ ৪২ কোটি টকা অধিক প্ৰস্তাৱ কৰা হৈছে । পৰিকল্পনা পূঁজি চুড়ান্তকৰণ কৰাৰ পিছত সাধাৰণ আৰু পাৰ্বত্য অঞ্চলৰ পৰিকল্পনা শিতানত আৱন্টন বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে । বিভিন্ন খণ্ডৰ বাবে পোৱা হব বুলি অনুমান কৰা অতিৰিক্ত আৱন্টন, পৰিপূৰক দাবী মঞ্জুৰীৰ জৰিয়তে যথাসময়ত দিয়াৰ ব্যৱস্থা কৰা হ'ব ।

১৪। ১৯৯৬-৯৭ চনৰ পৰিকল্পনা শিতানত সংশোধিত আৱন্টনৰ ১২১৬ কোটি টকা পূঁজিৰ বিপৰীতে মুঠ খৰছ হৈছে ১১০২ কোটি টকা । পূঁজিৰ নাটনিৰ কাৰণে ১৯৯৭-৯৮ চনৰ পৰিকল্পনাৰ আকাৰ ১৩১৪ কোটিলৈ হ্ৰাস কৰা হৈছে ।

**কৃষি আৰু সংশ্লিষ্ট খণ্ডসমূহ ঃ**

১৫। ৰাজ্যখনৰ মুঠ ঘৰুৱা আয়লৈ (SDP) কৃষি খণ্ডৰ অৰিহনা ৩৯ শতাংশ । ৰাজ্যৰ কৰ্ম শক্তিৰ ৬৩ শতাংশই কৃষি আৰু ইয়াৰ সংশ্লিষ্ট খণ্ডৰ কাম-কাজত নিয়োজিত হৈ আছে । গতিকে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ কাৰণে এই খণ্ড সমূহৰ উন্নয়ন অপৰিহাৰ্য্য । ৰাজ্যৰ কৃষি খণ্ডৰ বিকাশ খৰতকীয়া কৰিবৰ কাৰণে ১৯৯৫ চনৰ চেপ্তেম্বৰ মাহৰ পৰা আঠ বছৰৰ বাবে বিশ্ব বেংকৰ সাহাৰ্য্যত অসম গ্ৰাম্য আন্তঃগাথনি আৰু কৃষি সেৱা প্ৰকল্প (ARIASP) গ্ৰহণ কৰা হৈছে । অসম গ্ৰাম্য আন্তঃগাথনি আৰু কৃষি সেৱা প্ৰকল্প (ARIASP) ৰ কাৰণে আৱন্টিত মুঠ ৫৬৭.৬৫ কোটি টকাৰ ভিতৰত ১২৬.৬ কোটি টকা কৃষি খণ্ডৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে । এই প্ৰকল্পত কৃষি খণ্ডৰ আন্তঃগাথনি, প্ৰশিক্ষণ আৰু অসম কৃষি বিশ্ববিদ্যালয়ত গৱেষণা সবল কৰাৰ উপৰিও ১৫০০০ নলী-নাদৰ ব্যৱস্থা আছে । ইয়াৰে ৫৭৫০ টা নলী-নাদ ১৯৯৭-৯৮ চনৰ ভিতৰতে বহুৱা হ'ব । এই নলী-নাদৰ জলসিঞ্চনৰ দ্বাৰা ৰবিধান, আহুখেতি ইত্যাদি অধিক অঞ্চললৈ সম্প্ৰসাৰিত কৰি ৰাজ্যখনত ধানৰ উৎপাদনৰ নাটনি পূৰোৱাত সহায়ক হ'ব । উক্ত প্ৰকল্পৰ অধীনত ১৯৯৫-৯৬ চনৰ পৰা ১৯৯৭-৯৮ চনলৈকে কৃষিৰ বাবে ২৯.২১ কোটি টকা আৱন্টন কৰা হৈছে ।

১৬। চৰকাৰে ভূমি সংৰক্ষণ আঁচনিৰ জৰিয়তে কৃষিৰ ভূমি সংৰক্ষণৰ ব্যৱস্থা হাতত লৈছে । চলিত বছৰত এই কামৰ বাবে ১৩৫ লাখ টকা ব্যয় কৰা হৈছে ।

১৭। কৃষিৰ বাবে জলসিঞ্চনৰ সা-সুবিধা অপৰিহাৰ্য্য । সেয়েহে চৰকাৰে ক্ষিপ্ৰতৰ জলসিঞ্চন লাভদায়ক কাৰ্য্যসূচী (AIBP) আৰু অসম গ্ৰাম্য আন্তঃগাথনি আৰু কৃষি সেৱা প্ৰকল্পৰ (ARIASP) অধীনত বৰ্ত্তমানে থকা জলসিঞ্চন ব্যৱস্থাবোৰ নবীকৰণ আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা হাতত লৈছে । চলিত বৰ্ষত ক্ষিপ্ৰতৰ জলসিঞ্চন লাভদায়ক আঁচনিৰ (AIBP) বাবে ৭.৮০ কোটি টকা মুকলি কৰি দিয়া হৈছে । এই আঁচনিৰ বাবে ১৯৯৮-৯৯ চনৰ বাজেটত ১৪ কোটি টকা ধাৰ্য্য কৰা হৈছে । অসম গ্ৰাম্য আন্তঃগাথনি আৰু কৃষি সেৱা প্ৰকল্পৰ (ARIASP) অধীনত চলিত বছৰত ৭৪ টা গভীৰ নলী-নাদ আৰু ৫৪ টা নদী পাম্পিং কেন্দ্ৰৰ (RPS) পুনৰ সংস্থাপনৰ কাম হাতত লোৱা হৈছে আৰু এই কামৰ বাবে ৫ কোটি টকা মোকোলাই দিয়া হৈছে । অহা বছৰৰ বাজেটত এই প্ৰকল্পৰ কাৰণে পৰিকল্পনা শিতানত ৭.২৭ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

১৮। চলিত বছৰত অসম গ্ৰাম্য আন্তঃগাথনি আৰু কৃষি সেৱা আঁচনিৰ অধীনত ২২২ জন খেতিয়কৰ পুখুৰী, ৫০ টা ৰাজহুৱা পুখুৰী, ১৪ মীনমহল আৰু ২০০ জন মৎস্য

পালকৰ প্ৰশিক্ষণ সমন্বিতে ১১৭ টা প্ৰশিক্ষণ প্ৰকল্পৰ উন্নয়নৰ বাবে মীন পালন খণ্ডত ৫.৪৪ কোটি টকা মোকোলাই দিয়া হৈছে । ১৯৯৮-৯৯ চনত এই শিতানত মুঠ ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

১৯। পশুপালন খণ্ডত কৃত্ৰিম প্ৰজনন আৰু ধাঁহৰ বীজ উৎপাদনৰ ক্ষেত্ৰত চৰকাৰে অধিক গুৰুত্ব দিছে যাতে পশুধনৰ উন্নয়নৰ জৰিয়তে দুগ্ধ, মাংস, কণী ইত্যাদিৰ উৎপাদন বৃদ্ধি হয় ।

**দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যসূচী ঃ**

২০। চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক সকলৰ কাৰণে সম্পদ আহৰণ, কৰ্ম্মসংস্থাপন আৰু কাৰিকৰী জ্ঞান উন্নত কৰণৰ বাবে কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা দৰিদ্ৰতা দূৰীকৰণ আঁচনি সমূহ যেনে– সংহত গ্ৰামোন্নয়ন আঁচনি (IRDP), গ্ৰাম্য যুৱকৰ স্বঃনিয়োজন প্ৰশিক্ষণ আঁচনি (TRYSEM), গংগা কল্যাণ যোজনা (GKY), ইন্দিৰা আৱাস যোজনা (IAY), নিযুত কুঁৱা আঁচনি (MWS), নিয়োগ নিশ্চিতকৰণ আঁচনি (EAS), সংহত গ্ৰামীন শক্তি আঁচনি (IREP) আদি ৰূপায়ণ কৰি আছে । উক্ত আঁচনি সমূহৰ বাবে ১৯৯৭-৯৮ বছৰটোত কেন্দ্ৰীয় চৰকাৰে ১৮০.০০ কোটি টকা আৰু ৰাজ্যিক অংশ হিচাবে ৰাজ্য চৰকাৰে ৩০.০০ কোটি টকা মোকলাই দিছে । আশা কৰা হৈছে, স্বঃনিয়োজন আঁচনিৰ অধীনত ৫৮,০০০ জন লোক লাভৱান হ'ব আৰু ২৫৬ লাখ কৰ্ম্মদিনৰ সৃষ্টি হ'ব । গাওঁ অঞ্চলৰ দৰিদ্ৰলোক সকলৰ বাবে ১৮,৪৫৫ টা গৃহনিৰ্ম্মাণৰ কাম হাতত লোৱা হৈছে আৰু ১৯৯৭ চনৰ ডিচেম্বৰ মাহলৈকে ৯৭৪৩ টা গৃহ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হৈছে ।

২১। অহা বছৰত পাৱাৰ টিলাৰ পাম্পৰ যোগান ধৰি জলসিঞ্চন আঁচনিৰ আন্তঃগাথনি সবল আৰু আধুনিকীকৰণ কৰি কিছুমান সংযোগী খেতি যেনে– টেঙাজাতীয় ফল, কল, কুহিয়াৰ, পিয়াজ আদি খেতি কৰাত উৎসাহিত কৰা আঁচনি হাতত লোৱা হৈছে । আঁচনি সমূহৰ দ্ৰুত ৰূপায়ণৰ কাৰণে প্ৰতিটো বিধান সভা সমষ্টিত দুটাকৈ উন্নয়ন খণ্ড স্থাপন কৰি উন্নয়ন খণ্ডসমূহৰ পুনৰ গঠন সম্পূৰ্ণ কৰা হ'ব ।

**শিক্ষা ঃ**

২২। মাননীয় সদস্য সকলৰ এই কথা অৱগত যে কিছু সংখ্যক শিক্ষকে নিয়মীয়া দৰমহা নোপোৱাৰ বাবে বিভিন্ন দিশৰ পৰা চৰকাৰক সমালোচনা কৰা হৈছে । অধ্যক্ষ মহোদয়, সদনক এই কথা জনাবলৈ মই অনুমতি বিচাৰিছো যে আগৰ চৰকাৰখনে পুঁজিৰ

উপযুক্ত ব্যৱস্থা নিশ্চিত নকৰাকৈ, পৰিকল্পনা শিতানত এক বৃহৎ সংখ্যক শিক্ষক পদৰ সৃষ্টি কৰাৰ বাবে এই সমস্যাৰ উদ্ভৱ হৈছে । মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে উক্ত সমস্যাৰ বিশদ অধ্যয়ণৰ পিছত ১৯৯৮-৯৯ চনৰ পৰা কাৰ্য্যকৰী হোৱাকৈ প্ৰাথমিক বিদ্যালয়ৰ ৯২৭৯ টা শিক্ষকৰ পদ, মজলীয়া বিদ্যালয় ১০,৩৩০ টা শিক্ষকৰ পদ আৰু মাধ্যমিক বিদ্যালয়ৰ ১০,১০৫ টা শিক্ষকৰ পদসহ ৯২৬ টা প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীৰ পদ পৰিকল্পনা বহিঃৰ্ভূত খণ্ডলৈ (Non-plan) অনাৰ ব্যৱস্থা কৰা হৈছে । উপৰোক্ত পদসমূহ পৰিকল্পনা খণ্ডৰ পৰা পৰিকল্পনা বহিঃৰ্ভূত খণ্ডলৈ অনাৰ ফলত বছৰি ৰাজকোষৰ পৰা অতিৰিক্ত প্ৰায় ১৭০ কোটি টকা খৰছ হ'ব । তাৰোপৰি চৰকাৰে ১৯৯০ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত, বিভিন্ন বিভাগত পৰিকল্পনা শিতানত সৃষ্টি কৰা পদসমূহ স্থায়ীকৰণ কৰাৰ সিদ্ধান্ত লৈছে । মই আশা কৰো উক্ত দুয়োটা পদক্ষেপে শিক্ষক সকলে নিয়মীয়াকৈ দৰমহা পোৱা নিশ্চিত কৰিব । চলিত বছৰটোত চৰকাৰে ১৪ খন জুনিয়ৰ মাদ্ৰাছা আৰু আৰবিক মহাবিদ্যালয়ৰ প্ৰাদেশীকৰণ কৰিছে । ইয়াৰ দ্বাৰা এই শিক্ষানুষ্ঠান সমূহৰ ১৪৪৫ জন শিক্ষক কৰ্মচাৰী উপকৃত হৈছে । গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাবে ১৯৯৮-৯৯ চনৰ বাজেটত ১ কোটি টকা অতিৰিক্ত পুঁজিৰ ব্যৱস্থা কৰা হৈছে । বিশ্ব বেংকৰ সাহাৰ্য্যকৃত কাৰিকৰী শিক্ষা আঁচনিৰ বাবে ১৯৯৮-৯৯ চনৰ বাজেটত ১৫ কোটি টকাৰ ব্যৱস্থা ৰখা হৈছে ।

**ক্ৰীড়া আৰু যুৱকল্যাণ ঃ**

২৩ । চলিত বছৰটোত স্কুলীয়া খেলা-ধুলাৰ আয়োজন, ৰাষ্ট্ৰীয় খেলা-ধুলাত অংশ গ্ৰহণ, গ্ৰাম্য ক্ৰীড়া অনুষ্ঠিতকৰণ, প্ৰশিক্ষণৰ ব্যৱস্থা, এন.চি. চি. প্ৰশিক্ষণ, দুসাহসিক ক্ৰীড়া ইত্যাদি ক্ৰীড়া আৰু যুৱকল্যাণ কাৰ্য্যাৱলী সমূহ পুনৰ উজ্জীৱিত কৰা হৈছে । প্ৰতিটোতে ১০ লাখ টকাকৈ খৰছ কৰি ৫ টা গ্ৰাম্য ষ্টেডিয়াম নিৰ্ম্মাণৰ কাম চৰকাৰে হাতত লৈছে । নগাওঁ আৰু শিৱসাগৰত ইন্দোৰ ষ্টেডিয়াম আৰু নলবাৰীত চুইমিং পুল নিৰ্ম্মাণৰ বাবে পুঁজিৰ আৱন্টন দিয়া হৈছে । ক্ৰীড়া আৰু যুৱকল্যাণ কাৰ্য্যাৱলীৰ বাবে অহা বছৰ বাজেটত ১৪.৮৯ কোটি টকা ধৰা হৈছে ।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

২৪। ৰাজ্যখনৰ চিকিৎসালয় সমূহত চিকিৎসাৰ উন্নত সা-সুবিধা প্ৰদানৰ বাবে চৰকাৰে সকলো ধৰণৰ প্ৰচেষ্টা হাতত লৈছে । বিশ্ব বেংকৰ সাহাৰ্য্য প্ৰকল্পৰ ( IPP IX ) জৰিয়তে ৰাজ্যখনৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰ সমূহত যন্ত্ৰপাতি,

সা-সৰ্জুঁলি আৰু এম্বুলেঞ্চৰ যোগান ধৰা হৈছে। ৰাজ্যৰ অসামৰিক চিকিৎসালয় সমূহৰ উন্নয়নৰ বাবে এখন আচঁনি প্ৰস্তুত কৰি থকা হৈছে আৰু ১৯৯৮-৯৯ চনৰ ভিতৰত ইয়াক কাৰ্য্যকৰী কৰাৰ আশা আছে। জন্ম নিয়ন্ত্ৰন, শিশুৰ জীৱন ৰক্ষা, পুৰুষ মহিলা উভয়ৰ প্ৰজনন স্বাস্থ্য উন্নত কৰাৰ কাৰণে বহিঃসাহাৰ্য্য প্ৰকল্পৰ অধীনত প্ৰজনন আৰু শিশু স্বাস্থ্য নামৰ এখন নতুন আচঁনি ১৯৯৮-৯৯ চনৰ বছৰটোত সূচনা কৰা হ'ব। উক্ত আচঁনি কাৰ্য্যকৰী কৰিবলৈ দাতা সংস্থা সমূহে ৰাজ্যক মুঠ ১১৬ কোটি টকা প্ৰদান কৰিব। উক্ত আচঁনি কাৰ্য্যকৰী কৰিবলৈ "স্বেচ্ছাসেৱী ৰাজ্যিক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সমিতি" নামৰ এখন পঞ্জীভূত সমিতি গঠন কৰা হ'ব।

২৫। চৰকাৰে 'পালচ পলিঅ', কুষ্ঠৰোগ নিৰ্মূল কৰন, জাতীয় অন্ধতা দূৰীকৰণ আদি আচঁনি সমূহ ৰূপায়ণ কৰি আছে। বহিঃসাহাৰ্য্য প্ৰকল্পৰ ( IPP IX ) অধীনত এতিয়ালৈকে মুঠ ৩৪.৪৬ কোটি টকা খৰছ হৈছে আৰু ১৯৯৮-৯৯ চনত এই আচঁনিৰ বাবে ৩৩.২৬ কোটি টকা প্ৰস্তাৱ কৰা হৈছে।

**খোৱা পানী আৰু পৰিস্কাৰ পৰিচ্ছন্নতা ঃ**

২৬। এতিয়ালৈকে যিবোৰ বাসস্থান অঞ্চলত বিশুদ্ধ খোৱা পানীৰ নিৰাপদ উৎস নাই, সেই অঞ্চল সমূহত ৰাষ্ট্ৰীয় নীতিৰ লগত সামঞ্জস্য ৰাখি, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে অবিৰত প্ৰচেষ্টা চলাই আছে। ১-৪-৯৭ তাৰিখলৈকে ৰাজ্যৰ ১০,১১৫ টা বাসস্থান অঞ্চলত খোৱা পানীৰ সু-ব্যৱস্থা নাছিল। ১৯৯৭-৯৮ চনৰ সময় চোৱাত সৰ্বমুঠ ১৬৭৫ টা এনেকুৱা বাসস্থান অঞ্চলত খোৱা পানীৰ যোগানৰ ব্যৱস্থা কৰা হৈছে।

২৭। গ্ৰাম্য পৰিস্কাৰ পৰিচ্ছন্নতা নাইবা অনাময় (Rural Sanitation) খণ্ডত চৰকাৰৰ নীতি হ'ল 'চেনিটেৰী পায়খানা' বনাই দিয়াৰ উপৰিও স্বাস্থ্য বিধি সন্মত আচাৰ আদিৰ প্ৰচলন কৰা। ১৯৯৬-৯৭ চনৰ সময়চোৱাত সৰ্বমুঠ ৩৮১১ টা এনেকুৱা পায়খানা গ্ৰাম্য অঞ্চলত স্থাপন কৰা হৈছে আৰু চলিত বছৰত ৪৫০০ টা এনেকুৱা পায়খানা বনোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। চলিত বছৰৰ গ্ৰাম্য পানী যোগান আৰু অনাময়তা খণ্ডৰ অধীনত বাৰ্ষিক পৰিকল্পনাত ৬৪.৯৫ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। সমপৰিমানৰ পূজিঁ ১৯৯৮-৯৯ চনৰ বাজেটত ধাৰ্য্য কৰা হৈছে।

সমাজ কল্যাণ ঃ

২৮। শাৰীৰিক আৰু মানসিক ভাৱে অক্ষম লোক, মহিলা, শিশু, বৃদ্ধ আৰু নিঃসহায় আদি সমাজৰ স্পৰ্শকাতৰ শ্ৰেণীৰ মংগলৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ জনকল্যাণ মূলক আচঁনি গ্ৰহণ কৰিছে। ৰাজ্যিক অনাথ আশ্ৰম সমূহত অনাথ শিশু, অসহায় তিৰোতা আৰু শিশুক আশ্ৰয় দিয়া হৈছে। উক্ত আঁচনিসমূহ সুকলমে চলোৱাৰ উদ্দেশ্য বাজেটত ৪৭.৭৩ কোটি টকা ধাৰ্য্য কৰা হৈছে।

বান নিয়ন্ত্ৰন ঃ

২৯। বানৰ প্ৰলয়ে ৰাজ্যৰ অৰ্থনীতিৰ ওপৰত বাৰুকৈয়ে আঘাট হানিছে। আমি আমাৰ জল সম্পদক আমাৰ সুবিধাৰ অৰ্থে ব্যৱহাৰ কৰাত এতিয়াও কৃতকাৰ্য্য হোৱা নাই। যি কি নহওক জল সম্পদ লাভজনক ভাৱে ব্যৱহৃত কৰিব পৰা প্ৰকল্প আৰু বাননিয়ন্ত্ৰনৰ যথোপযুক্ত ব্যৱস্থাৰ বাবে ৰাজ্য চৰকাৰে ভাৰত চৰকাৰক পাৰ্য্যমানে হেঁচা দি আহিছে। আমি ৪৭৯ কোটি টকা ব্যয়ৰ পাগলাদিয়া বান্ধ প্ৰকল্পৰ কাৰণে পৰিকল্পনা আয়োগৰ অনুমোদন আৰু ২৮৯৯ কোটি টকা ব্যয়ৰ টিপাইমূখ বান্ধ প্ৰকল্প, যিটো সম্পূৰ্ণ হ'লে ১৫০০ মেগাৱাট্ শক্তি উৎপাদন হ'ব, তাৰ বাবে "প্ৰদূষন দূৰীকৰণ" অনুমোদনৰ কাৰণে অপেক্ষা কৰি আছো।

পথ আৰু দলং ঃ

৩০। অধ্যক্ষ মহোদয়, পথ, বিশেষকৈ দলং সমূহৰ জৰাজীৰ্ণ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে উত্তৰ গুৱাহাটী-হাজো-দৌলাশাল-বৰপেটা আৰু চন্দ্ৰপুৰ-কলিয়াবৰ পথত ৪৩ খন আৰ. চি. চি. দলং নিৰ্ম্মাণৰ বাবে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংকৰ (NABARD) পৰা RIDF II ৰ অধীনত ৬৩.২৯ কোটি টকাৰ ঋণ লৈছে। এই দলং সমূহ সম্পূৰ্ণ হোৱাৰ পিছত দলঙৰ পৰা সংগৃহীত মাচুলৰ টকাৰে এই ঋণৰ কিছু অংশ পৰিশোধ কৰাৰ কথা চিন্তা কৰা হৈছে। ধোদৰ আলিৰ ওপৰত নিৰ্ম্মাণ কৰি থকা দুখন দলং আৰু উত্তৰ গুৱাহাটী-বৰপেটা পথ আৰু চন্দ্ৰপুৰ-কলিয়াবৰ পথৰ ওপৰত নিৰ্ম্মাণ কৰি থকা আন ১০ খন দলঙৰ কাম সম্পূৰ্ণ কৰি তুলিবলৈ RIDF III ৰ অধীনত ১৬.০৭ কোটি টকাৰ আন এটি ঋণ দিয়াৰ প্ৰস্তাৱত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংকে (NABARD) অনুমোদন জনাইছে।

৩১। বিশ্ব বেংক সাহার্য্য প্রকল্প, অসম গ্ৰাম্য আন্তঃগাথনি আৰু কৃষি সেৱা প্ৰকল্প (ARIASP) ৰ অধীনত গ্ৰাম্য পথৰ উন্নয়নৰ বাবে ১৮৭.৫২ কোটি টকা ৰখা হৈছে। ইয়াৰ ভিতৰত ১৪০০ কিলোমিটাৰ গ্ৰাম্য পথৰ পুনৰ সংস্থাপন, ৰাজ্যৰ ৬ খন জিলাৰ ২৮২ খন অস্থায়ী কাঠৰ দলঙৰ ঠাইত পকী দলং সজাৰ কাম সামৰি লোৱা হৈছে। গ্ৰাম্য পথ উন্নয়নৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু ১৯৯৮ চনৰ মে মাহৰ ভিতৰত ২৩ খন দলঙৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে । সম্পূৰ্ণ আঁচনিখন ২০০৩ চনত সম্পূৰ্ণ হৈ উঠিব বুলি অনুমান কৰা হৈছে । এই আঁচনিৰ অধীনত ১৯৯৭-৯৮ চনত ৭.৭৮ কোটি টকা ব্যয় হ'ব ।

৩২। ৰাষ্ট্ৰীয় ঘাই পথৰ কাম-কাজৰ কাৰণে ১৯৯৫-৯৬ চনৰ ১৪ কোটি আৰু ১৯৯৬-৯৭ চনৰ ২৩ কোটি টকাৰ বিপৰীতে ১৯৯৭-৯৮ চনত মুঠ ৩২ কোটি টকা মুকলি কৰি দিয়া হৈছে । চলিত বছৰত বদৰপুৰ ঘাটৰ বৰাক নদীৰ দলঙৰ পুনৰ নিৰ্ম্মাণ, কাছাৰ জিলাৰ বৰাক নদীৰ ৰাণী ফেৰীত অসমাপ্ত হৈ থকা দলঙৰ কাম আৰু মানকাছাৰৰ কালু নদীৰ ওপৰৰ দলঙৰ কামো হাতত লোৱা হৈছে । এই বছৰতে কোনো পথৰ দ্বাৰা সংযোজিত নোহোৱা গ্ৰাম্যাঞ্চলৰ ৯১০ কিলোমিটাৰ পথ নিৰ্ম্মাণৰ বাবে ১৯৯৭-৯৮ চনৰ বাৰ্ষিক পৰিকল্পনাত ধাৰ্য্য ৯২.২৯ কোটি টকা পূঁজিৰে কাম হাতত লোৱা হৈছে ।

**উদ্যোগ ঃ**

৩৩। ১-৪-৯৭ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱা ৰাজ্যিক ঔদ্যোগিক নীতিৰ অধীনত দিয়া উদ্‌গনিৰ উপৰিও ভাৰত চৰকাৰে ঘোষণা কৰা নতুন ঔদ্যোগিক নীতিয়ে নিঃসন্দেহে ৰাজ্যত অধিক পৰিমাণে বিনিয়োগৰ পথ সুচল কৰিব । সেয়েহে ৰাজ্য চৰকাৰে ঔদ্যোগিক আন্তঃ গাথনি গঢ় দিয়াত সৰ্ব্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিব । শোণিতপুৰ জিলাৰ বালিপাৰাত, গোৱালপাৰা জিলাৰ মাটিয়াত ঔদ্যোগিক উন্নয়ন কেন্দ্ৰ স্থাপন, উত্তৰ গুৱাহাটীত ৰপ্তানীমুখী ঔদ্যোগিক উদ্যান (EPIP) , দৰং জিলাৰ দলগাঁৱত ঔদ্যোগিক আন্তঃগাথনি কেন্দ্ৰৰ কাম ১৯৯৮-৯৯ চনত পূৰ্ণগতিত হাতত লোৱা হ'ব । ১৯৯৮-৯৯ চনত উত্তৰ- গুৱাহাটীত ৰপ্তানীমুখী উদ্যান আৰু বালিপাৰাত উন্নয়ন কেন্দ্ৰ আংশিক ভাৱে কাৰ্য্যকৰি কৰি তুলিবলৈ প্ৰস্তাৱ লোৱা হৈছে । ইয়াৰ কাৰণে প্ৰয়োজনীয় পুঁজি যোগান ধৰা হ'ব । নিয়োগৰ পৰ্য্যাপ্ত সা-সুবিধা থকা ক্ষুদ্ৰ উদ্যোগ খণ্ডক (SSI) উদ্‌গনি দিবলৈ ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনাত এই খণ্ডৰ বাবে আৱন্টনৰ পৰিমাণ ১৯৯৭-৯৮ চনৰ ১০.১৬ কোটি টকাৰ পৰা ১৭.১৬ কোটি টকালৈ বৃদ্ধি কৰা হৈছে । অসম চুক্তিৰ অধীনত স্থাপন কৰা নুমলীগড় শোধানাগাৰলৈ অসম চৰকাৰৰ অংশ বিনিয়োগৰ হেতু চৰকাৰে চলিত বছৰত

২৮.৬ কোটি টকা মুকলি কৰি দিছে । নুমলীগড় শোধানাগাৰৰ কাৰণে অসম চৰকাৰৰ বাবে ধাৰ্য্য শতকৰা ১০ ভাগ অৰ্থাৎ সৰ্ব্বমুঠ ৯০ কোটি টকাৰ ভিতৰত এতিয়ালৈকে ৬৮.৬ কোটি টকা মোকোলাই দিছে । ১৯৯৯ চনৰ ৩১ মাৰ্চৰ ভিতৰত শোধানাগাৰটো কাৰ্য্যক্ষম হ'ব বুলি আশা কৰা হৈছে । গতিকে অৱশিষ্ট টকাখিনি ১৯৯৮-৯৯ চনৰ ভিতৰতে মোকোলাই দিয়া হ'ব । অসম গেছক্ৰেকাৰ প্ৰকল্প কাৰ্য্যকৰী কৰাৰ প্ৰতি অসম চৰকাৰ দায়বদ্ধ । সেয়েহে চৰকাৰে প্ৰকল্পটোৰ উদ্যোক্তা ৰিলায়েন্স উদ্যোগৰ লগত অহৰহ যোগাযোগ ৰক্ষা কৰি আছে ।

৩৪। চলিত বছৰত চাহ উদ্যোগে এখন সুন্দৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ লাভ কৰিছে । ১৯৯৭ চনত আমিনগাওঁ, গুৱাহাটীৰ আভ্যন্তৰীণ সংৰক্ষণ ডিপোৰ (ICD) পৰা প্ৰায় ২৯ নিযুত কিলোগ্ৰাম চাহ ৰপ্তানি কৰা হৈছে । আমিনগাওঁ আভ্যন্তৰীণ ডিপোৰ (ICD) পৰা চাহ ৰপ্তানিৰ জৰিয়তে আশাকৰা ঔদ্যোগিক কাৰ্য্যাৱলী আৰু নিয়োগৰ সুবিধা বৃদ্ধি লাভ কৰিব পৰা নাই । সেয়েহে মই চাহ ঔদ্যোগিক সকলক গুৱাহাটীৰ আমিনগাওঁৰ আভ্যন্তৰীণ ডিপোৰ (ICD) প্ৰতি অধিক মনোযোগ দি ইয়াৰ অধিক ব্যৱহাৰৰ কাৰণে আহ্বান জনাইছো ।চৰকাৰে আমিন গাওঁৰ ডিপোৰ পৰা ৰপ্তানিৰ বৃদ্ধিৰ বাবে, অহা বছৰৰ পৰা দুবছৰৰ বাবে পৰীক্ষামূলক ভিত্তিত, উদগনি হিচাবে, এই ডিপোৰ পৰা প্ৰতি কেজি ৰপ্তানি হোৱা চাহ পাতৰ বিপৰীতে কৃষি আয়ৰ পৰা ৫০ পইচাকৈ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে । যদি ইয়াৰ ফলস্বৰূপে ঔদ্যোগিক কাৰ্য্যাৱলী আৰু নিয়োগৰ সুবিধাৰ বৃদ্ধি হয়, তেতিয়া এই উদগনিৰ বলবৎ কাল বঢ়াই দিয়া হ'ব ।

**পৰিবহন আৰু পৰ্য্যটন ঃ**

৩৫। মাননীয় সদস্য সকলে জানি সুখী হ'ব যে ৰেল কৰ্তৃপক্ষই ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্ম্মাণ কৰি থকা তৃতীয় খন দলং "নৰনাৰায়ন সেতু" ১৯৯৮ চনৰ এপ্ৰিল মাহত যান-বাহন চলাচল কৰাৰ কাৰণে মুকলি কৰি দিয়া সম্ভাৱনা আছে । চৰকাৰে উত্তৰ-পূৱ পৰিষদৰ (NEC) আৰ্থিক সাহাৰ্য্যত গুৱাহাটীত আন্তঃৰাজ্যিক বাছ আস্থান (Bus terminus)এটি নিৰ্মাণৰ কাম হাতত লৈছে । পৰ্য্যটন উদ্যোগৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে জলক্ৰীড়াৰ সা-সুবিধা, প্ৰাকৃতিক পৰ্য্যটক পজাঁ (Ecotourism), পৰ্য্যটক গৃহ, চাহ বাগিচাৰ পৰ্য্যটক গৃহ, উদ্যান ইত্যাদি পৰ্য্যটন আন্তঃগাথনিৰ সৃষ্টি ওপৰত মনোনিবেশ কৰিব । পৰ্য্যটনৰ বিকাশৰ কাৰণে চৰকাৰে ১৯৯৮ চনৰ জানুৱাৰী মাহত উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পক প্ৰাধান্য দি সুৰজকুণ্ডত অনুষ্ঠিত শিল্প মেলাত যোগদান কৰিছে ।

**হস্ততাঁত আৰু বস্ত্ৰ ঃ**

৩৬। হস্ততাঁত আৰু বস্ত্ৰ খণ্ডত, তাঁতবোৰৰ আধুনিকীকৰণ আৰু অন্যান্য সা-সুবিধা যেনে ঋণ, বজাৰ আদিৰ ব্যৱস্থা কৰি উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ব । অসমৰ প্ৰায় ১৭ লাখ শিপিনীৰ ভিতৰত মাত্ৰ ২ লাখ বাণিজ্যিক শিপিনী । সেই কাৰণে, অধিক শিপিনীক বয়ন বৃত্তিক বাণিজ্যিক ভিত্তিত লবলৈ উদগনি দিয়া হ'ব । ১৯৯৮-৯৯ বছৰৰ বিত্তীয় প্ৰাক্‌কলনত ইয়াৰ বাবে মুঠ ৩৮.২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে

**ৰেচমঃ**

৩৭। ৰেচম উদ্যোগত নিয়োগ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ সহযোগত ৬৪.৪৭ কোটি টকা আনুমানিক মূল্যৰ এখন একত্ৰীকৃত এৰি-মুগা উন্নয়ন আঁচনি প্ৰস্তুত কৰিছে আৰু আঁচনিখৰ বাবে পুঁজি যোগান ধৰিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে ।ৰেচম উদ্যোগৰ বাবে প্ৰয়োজনীয় সুদক্ষ কাৰিকৰৰ পৰ্য্যাপ্তি নিশ্চিত কৰিবলৈ নৱম পৰিকল্পনাত তিতাবৰত এখন ৰেচম মহাবিদ্যালয় খোলাৰ প্ৰস্তাৱ লৈছে ।১৯৯৮-৯৯ চনত ৰেচম খণ্ডৰ বাবে ৫ কেটি টকাৰ প্ৰস্তাৱ কৰা হৈছে ।

**শক্তি ঃ**

৩৮। বৰ্ত্তমান অসম বিদ্যুৎ পৰিষদৰ অধীনস্থ শক্তি উৎপাদন কেন্দ্ৰসমূহৰ উৎপাদিত ক্ষমতা ৫৫২ মেগাৱটৰ ঠাইত প্ৰকৃত উৎপাদন হয় ২০০ মেগাৱট । ব্যস্ত সময়ত (Peak hours) আমাৰ প্ৰয়োজন হয় প্ৰায় ৪৮০ মেগাৱট । বিদ্যুৎ পৰিষদে গড় ২০০ মেগাৱট শক্তি আমদানি কৰাৰ ফলত, প্ৰায় ৮০ মোগাৱট শক্তিৰ নাটনি থাকি যায় । গতিকে মাননীয় সদস্য সকলে অনুমান কৰিব পাৰিছে যে এনে নাটনিৰ কাৰণে পৰিষদে কিছুমান ঠাইত বিদ্যুৎ সৰবৰাহ বন্ধ ৰখাৰ বাহিৰে গত্যন্তৰ নাই । চৰকাৰে কিছুদিন আগতে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ (ASEB) আৰ্থিক অৱস্থা টনকিয়াল কৰিবৰ বাবে ১৯৯২-৯৩ চন পৰ্য্যন্ত পৰিষদে পৰিশোধ কৰিবলৈ বাকী থকা ৫৫০ কোটি টকাৰ চৰকাৰী ঋণ, ইকুইটি শ্বেয়াৰলৈ পৰিবৰ্ত্তন কৰাৰ সিদ্ধান্ত কৰিছে ।ইয়াৰ ফলত পৰিষদৰ প্ৰতিবছৰত সুতৰ বোজা ৭৪ কোটি টকাকৈ কমিব আৰু লগতে পৰিষদে বজাৰৰ পৰা নতুন পুঁজি আহৰণ কৰিব পাৰিব । শক্তিৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বৰ্ত্তমানৰ শক্তি কেন্দ্ৰ সমূহৰ নবীকৰণ, আধুনিকীকৰণ, পুনৰজীৱিতকৰণ আৰু পুনৰ সংস্থাপন আদিৰ প্ৰতি অধিক মনযোগ দিব । প্ৰয়োজন সাপেক্ষে ব্যক্তিগত খণ্ডৰ সহযোগ লোৱা হ'ব । ভাৰত হাইড্ৰ ইলেক্‌ট্ৰিকেল পাৱাৰ কৰ্পৰেচনে, যাৰ

পৰা চৰকাৰে কাৰ্বি-লাংপি হাইড্ৰ প্ৰকল্পটো অধিগ্ৰহণ কৰি লৈছিল, এক গোচৰ তৰাত চলিত বছৰত কাৰ্বি-লাংপি হাইড প্ৰকল্পৰ ক্ষেত্ৰত কোনো অগ্ৰগতি নহ'ল । অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ১৯৯৮-৯৯ চনৰ পৰিকল্পনা শিতানত আৱন্টিত পুঁজি ১৬২ কোটি টকা ।

**নগৰ উন্নয়ন ঃ**

৩৯। গুৱাহাটী পৌৰ নিগমৰ দ্বাৰা প্ৰস্তুত কৰা গুৱাহাটী মহানগৰ পানী যোগান প্ৰকল্পৰ কাৰণে জাপানৰ পৰা বহিঃসাহাৰ্য্যৰ অনুমোদন লাভ কৰাত যথেষ্ঠ আগবঢ়া হৈছে আৰু উক্ত প্ৰকল্পৰ বাবে ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনাত ২ কোটি টকা ধৰা হৈছে । নগৰ পানী যোগান আৰু অনাময় পৰিষদে বিভিন্ন নগৰ এলেকাৰ বাবে হাতত লোৱা পানী যোগান আঁচনিৰ চলি থকা কাম-কাজ সম্পূৰ্ণ কৰি তোলাৰ প্ৰতি চৰকাৰে অগ্ৰাধিকাৰ দিছে । ১৯৯৮-৯৯ বছৰটোত নিৰ্মাণ কাৰ্য্য চলি থকা ৪ খন আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ উপৰিও ৪১.৩০ কোটি টকাৰ আনুমানিক ব্যয়ত ৫ খন নগৰৰ কাৰণে ৫ খন নতুন আঁচনিৰ কাম হাতত লোৱা হ'ব । ৰাজ্য চৰকাৰে চহৰ অঞ্চলৰ পুতিঃদুৰ্গন্ধময় অঞ্চল উন্নয়ন আঁচনিৰও ৰূপায়ণ কৰি আছে আৰু চলিত বছৰত এই আঁচনিৰ বাবে ২.২২ কোটি টকা ব্যয় কৰা হৈছে । ১৯৯৮-৯৯ চনৰ বাজেটত এই আঁচনিৰ বাবে ২.৮৪ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে । ১৯৯৮-৯৯ চনৰ বাজেটত প্ৰস্তাৱিত ২৮০ লাখ টকা ব্যয়ৰে অসম ৰাজ্যিক গৃহ নিৰ্ম্মাণ পৰিষদে বছৰটোত অৰ্থনৈতিক ভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ আশ্ৰয়ৰ বাবে ১১৬৮ টা নিম্ন খৰছৰ গৃহ নিৰ্ম্মাণৰ আঁচনি লৈছে ।

**পাৰ্ব্বত্য অঞ্চল ঃ**

৪০। ১৯৯৭-৯৮ চনৰ বিত্তীয় প্ৰাক্কলন উত্থাপন কৰাৰ সময়ত মই এই পবিত্ৰ সদনক আশ্বাস দিছিলো যে কাৰ্বি আংলং আৰু উত্তৰ-কাছাৰ স্বায়ত্ব শাসিত পৰিষদ দুখনে অগ্ৰাধিকাৰ দিয়া আঁচনি সমূহৰ কথা মনত ৰাখি ভৱিষ্যতৰ বাজেট প্ৰস্তুত কৰা হ'ব । সেইমতে বিভিন্ন শিতানত পৰিষদ দুখনে অনুমোদন জনোৱা বাজেটত ধাৰ্য্য কৰা অনুযায়ী ৰাজ্যিক বাজেটত পুঁজিৰ ব্যৱস্থা কৰা হৈছে । পৰিকল্পনা বহিঃৰ্ভূত শিতানত পৰিষদ দুখনে দৰমহাৰ ক্ষেত্ৰত ধাৰ্য্য কৰা পুঁজি সম্পূৰ্ণভাৱে ৰাজ্যিক বাজেটত অন্তৰ্ভূক্ত কৰা হৈছে । মজুৰিৰ ক্ষেত্ৰত ১-৪-৯৩ তাৰিখৰ পৰা কেজুৱেল, ৱৰ্কচাৰ্জ আৰু মাষ্টাৰৰোল কৰ্মীক মকৰল বন্ধ কৰি ৰখাৰ কাৰণে পৰিষদে অনুমোদন জনোৱা বৰ্দ্ধিত পুঁজি ৰাজ্যিক বাজেটত ব্যৱস্থা কৰিব পৰা নহ'ল । সেইদৰে সম্পদৰ নাটনিৰ হেতু পৰিকল্পনা বহিঃৰ্ভূত শিতানত দৰমহাৰ বাহিৰে অন্যান্য ব্যয় সমূহ কিছু সংকোচন কৰা হৈছে । সাধাৰণ অঞ্চলৰ বাজেটত পৰিকল্পনা

বহিঃভূৰ্ত শিতানত দৰমহাৰ বাবে অন্য শিতানত পূঁজিৰ কোনো বৃদ্ধিৰ প্ৰস্তাৱ লোৱা নাই যদিও স্বায়ত্ব শাসিত পৰিষদ দুখনৰ বাবে পৰিকল্পনা বহিঃভূৰ্ত শিতানত দৰমহাৰ উপৰিও অন্যান্য শিতানত মই প্ৰায় ২৫ শতাংশ বৰ্দ্ধিত পূঁজিৰ প্ৰস্তাৱ ৰাখিছো ।

৪১। ১৯৯৮-৯৯ চনৰ বাজেটত পাৰ্বত্য অঞ্চলৰ কাৰণে পৰিকল্পনা শিতানত মুঠ ব্যয় ১৩৮.৬৬ কোটি টকা ধাৰ্য্য কৰা হৈছে, ইয়াৰে ৯৭.১৯ কোটি টকা কাৰ্বি-আংলং স্বায়ত্ব শাসিত পৰিষদৰ বাবে আৰু ৪১.৪৭ কোটি টকা উত্তৰ-কাছাৰ পাৰ্বত্য জিলা পৰিষদৰ বাবে । ইয়াৰোপৰি কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা আৰু কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ ৰূপায়ণৰ বাবে মুঠ ৯.০৭ কোটি টকা কাৰ্বি-আংলং স্বায়ত্ব পৰিষদৰ আৰু ৪.২৩ কোটি টকা উত্তৰ-কাছাৰ পাৰ্বত্য জিলা পৰিষদৰ কাৰণে ধাৰ্য্য কৰা হৈছে । পৰিকল্পনা বহিঃভূৰ্ত শিতানত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ বাবে যোৱা ১৯৯৭-৯৮ চনৰ মুঠ ৫০.২৮ কোটি টকাৰ বিপৰীতে ১৯৯৮-৯৯ চনৰ বছৰটোৰ বাবে ৬৫.৩৪ কোটি টকা আৰু উত্তৰ-কাছাৰ জিলা স্বায়ত্ব পৰিষদৰ বাবে ১৯৯৭-৯৮ চনৰ মুঠ ৩৭.৭৩ কোটি টকাৰ বিপৰীতে ১৯৯৮-৯৯ চনৰ বছৰটোত ৪৭.২৪ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে । মই এই পবিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে ১৯৯৭-৯৮ চনত সম্পদৰ নাটনি হোৱাৰ কাৰণে পৰিকল্পনাৰ আকাৰ ২০ শতাংশ হ্ৰাস হোৱা স্বত্বেও পাৰ্বত্য অঞ্চল পৰিকল্পনাৰ আৱন্টন অপৰিবৰ্ত্তিত ৰখা হৈছে । তাৰোপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলসিঞ্চন বিভাগ, গড়কাপ্তানী বিভাগ আদিৰ অধীনত পূৰ্ব্বৰ বকেয়া পৰিশোধ কৰিবৰ বাবে উত্তৰ-কাছাৰ পাৰ্ব্বত্য জিলা স্বায়ত্ব শাসিত পৰিষদলৈ অতিৰিক্ত ১০ কোটি টকাৰ কেন্দ্ৰীয় সাহাৰ্য্য মুকলি কৰি দিয়া হৈছে । ই পাৰ্ব্বত্য অঞ্চল উন্নয়নৰ বাবে চৰকাৰে দিয়া অগ্ৰাধিকাৰৰ কথাকে সূচায় ।

**স্বায়ত্ব শাসিত পৰিষদ ঃ**

৪২। বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ (BAC), মিছিং স্বায়ত্ব শাসিত পৰিষদ (MAC), ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদ (RHAC), আৰু লালুং-টিৱা স্বায়ত্ব শাসিত পৰিষদৰ (LTAC), উন্নয়নমূলক কাম-কাজৰ বাবে ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনাত পূঁজিৰ পৰিমাণ নিৰ্দ্ধাৰন কৰি দিয়া হৈছে । উক্ত চাৰি খন পৰিষদৰ বাবে নিৰ্দ্ধাৰণ কৰা সৰ্ব্বমুঠ ৫৭.৮১ কোটি তাৰে ৩৮.৩৮ কোটি টকা বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ (BAC) ১০.৮১ কোটি টকা মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰণে, ৫.৮৪ কোটি টকা ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ (RHAC) বাবে আৰু ২.৭৮ কোটি টকা লালুং-টিৱা স্বায়ত্ব শাসিত পৰিষদৰ (LTAC) বাবে ধাৰ্য্য কৰা হৈছে । ইয়াৰোপৰি পৰিকল্পনা

বহিঃর্ভূত শিতানত উক্ত পৰিষদ সমূহৰ সচিবালয়ৰ ব্যয়ৰ বাবে ১৯৯৮-৯৯ চনত মুঠ ৬.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে । ইয়াৰে ৩ কোটি টকা বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ (BAC) বাবে আৰু ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদ (RHAC), মিছিং স্বায়ত্ব শাসিত পৰিষদ (MAC), লালুং-টিৱা স্বায়ত্ব শাসিত পৰিষদ (LTAC) প্ৰত্যেকৰ বাবে ১ কোটি টকাকৈ । উক্ত আৱন্টন সমূহ ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনা চূড়ান্ত হোৱাৰ পিছত বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে ।

**অনুসূচীত জাতি, অনুসুচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ ঃ**

৪৩। অনুসূচীত জাতি, অনুসূচীত জনজাতি,চাহ বনুৱা তথা প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়কে ধৰি অন্যান্য পিচপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে বিভিন্ন আৰ্থ-সামাজিক উন্নয়নমূলক আঁচনিসমূহৰ প্ৰয়োগে চৰকাৰৰ পৰা উচ্চ অগ্ৰাধিকাৰ পাই আহিছে । অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মংগলৰ বাবে ১৯৯৮-৯৯ চনৰ বাৰ্ষিক পৰিকল্পনা পুঁজিৰ পৰা জনজাতি উপ-পৰিকল্পনা শিতানত ১৪৮.১০ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ৮৮.৬৩ কোটি টকা আছুটীয়াকৈ ৰখা হৈছে । ইয়াৰোপৰি অন্যান্য পিছপৰা শ্ৰেণী, অধিক অন্যান্য পিছপৰা শ্ৰেণী, বিভিন্ন চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়, চৰ এলেকাৰ বাসিন্দা আদিৰ কল্যাণৰ হেতু চৰকাৰে বিশেষ মনযোগ দিছে ।

**সংখ্যালঘুৰ কল্যাণ ঃ**

৪৪। চৰকাৰে সংখ্যালঘু সকলৰ স্বাৰ্থৰ প্ৰতি মনোনিবেশ কৰিবৰ বাবে সচিবালয়ত 'সংখ্যালঘু কল্যাণ বিভাগ' নামেৰে এটি নতুন বিভাগ খোলাৰ সিদ্ধান্ত লৈছে । তদুপৰি অসম সংখ্যালঘু উন্নয়ন বিত্তীয় পৰিষদে যাতে ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন নিগম আৰু অন্যান্য উৎসৰ পৰা ঋণ পাব পাৰে সেইবাবে চৰকাৰে আৱশ্যকীয় চৰকাৰী প্ৰত্যাভূতি (Guarantee) প্ৰদান কৰাৰ ব্যৱস্থা লৈছে । ১৯৯৮-৯৯ চনৰ বাজেটত অসম সংখ্যালঘু পৰিষদৰ বাবে বিত্তীয় আৱন্টনৰ পৰিমাণ বৃদ্ধি কৰা হৈছে ।

**মহিলা কল্যাণ ঃ**

৪৫। ৰাজ্যিক মহিলা আয়োগ আৰু ৰাজ্যিক সামাজিক উপদেষ্টা পৰিষদে বিশেষকৈ মহিলা সকলৰ কল্যাণৰ বাবে কাম কৰি আছে । ৰাজ্য চৰকাৰে ৰাজ্যিক সামাজিক কল্যাণ পৰিষদ খনক অধিক কাৰ্য্যক্ষম কৰি তুলিবৰ বাবে ন্যায়িক মৰ্য্যদা দিব খুজিছে । মহিলা সকলৰ ওপৰত অত্যাচাৰত বাধা দিবলৈ আইন ৰক্ষাকাৰী সকলক অধিক সক্ৰিয় কৰি

তোলা হৈছে । গৰ্ভৱতী আৰু প্ৰসূতি মাতৃয়ে ৰাজ্যত ৮৩ টা একত্ৰীকৃত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ ৮৬৫৫ টা অঙ্গনৱাদী কেন্দ্ৰই আগবঢ়োৱা সেৱাৰ পৰা উপকৃত হৈছে ।

**ন্যায় পালিকা ঃ**

৪৬। সকলো শ্ৰেণীৰ লোকৰ বাবে ন্যায় নিশ্চিতকৰণ কৰা আৰু মোকৰ্দ্দমাসমূহ ক্ষিপ্ৰতাৰে নিস্পত্তি কৰাৰ বাবে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ ন্যায়িক প্ৰাধিকাৰী সমূহৰ সেৱাৰ অৱস্থা উন্নতিকৰণৰ লগতে ন্যায়িক ব্যৱস্থাৰ আন্তঃগাথনিসমূহৰ উন্নতকৰণৰ বাবে যথোপযুক্ত ব্যৱস্থা হাতত লৈছে । বিভিন্ন ন্যায়লয় ভৱন আৰু ন্যায়িক প্ৰাধিকাৰীৰ আৱাসিক ভৱন সমূহ নিৰ্মাণৰ বাবে পৰিকল্পনা শিতানত পুঁজিৰ ব্যৱস্থা কৰা হৈছে । ১৯৯৮-৯৯ চনৰ বাৰ্ষিক বাজেটত ইয়াৰ বাবে ২০০ লাখ টকা আছুটীয়াকৈ ৰখা হৈছে । চৰকাৰী অধিবক্তাৰ ব্যৱসায়ীক মাছুলৰ নিৰিখ বৃদ্ধি কৰা হৈছে । লোক অভিযোক্তা (Public Prosecutor) ৰ মাছুল বৃদ্ধিকৰণৰ বিষয়টো চৰকাৰে বিবেচনা কৰি আছে ।

**আৰক্ষী ঃ**

৪৭। অস্ত্ৰ-শস্ত্ৰ, যোগাযোগ, কাৰিকৰী দক্ষতা আৰু গতিশীলতাৰ উন্নতিকৰণৰ জৰিয়তে আৰক্ষী বাহিনীটোক আধুনিকীকৰণ আৰু কাৰ্য্যদক্ষতাৰ উন্নতি কৰাৰ বিভিন্ন ব্যাৱস্থা হাতত লোৱা হৈছে । ১-৪-৯০ তাৰিখৰ পৰা ৩১-৩-৯৭ তাৰিখলৈকে আমাৰ নিৰাপত্তা ৰক্ষা সম্পৰ্কীয় খৰছৰ ৫৪০ কোটি টকাৰ দাবীৰ বিপৰীতে চলিত বছৰত কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ১৩১ কোটি টকাহে ঘুৰাই দিছে । অনাদায় হৈ থকা টকাখিনি দিবলৈ আমি কেন্দ্ৰীয় চৰকাৰক হেচা প্ৰয়োগ কৰি আহিছো । ৰাজ্যিক আৰক্ষী বাহিনীৰ আধুনিকীকৰণৰ বাবে ১৯৯৮-৯৯ চনৰ বাজেটত ২২ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে । আৰক্ষী লোকৰ কল্যাণৰ হেতু দশম বিত্তীয় আয়োগৰ বিত্তীয় অনুমোদনৰ অধীনত চলিত বছৰত ৮৫১ টা আৰক্ষীৰ আবাসিক গৃহ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ কৰা হ'ব ।

**আনুষ্ঠানিক বিত্ত ঃ**

৪৮। ৰাজ্যখনৰ উন্নয়নমূলক কাম-কাজ সমূহৰ গতি খৰটকীয়া কৰিবৰ কাৰণে ৰাজ্য চৰকাৰৰ সীমিত সম্পদৰ পৰিপূৰক হিচাবে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান আৰু বেংক সমূহৰ পৰা সম্পদ আহৰণেই একমাত্ৰ বিকল্প ব্যৱস্থা । যদিও ১৯৯৭ চনৰ ৩০ চেপ্তেম্বৰত অসমত ১৩০৮ টা বেংকৰ শাখা আছে, ৩০-৯-৯৭ তাৰিখৰ তিনিমহীয়া সৰ্ব্বভাৰতীয় হিচাবৰ শতকৰা ৫৩.৭ ভাগৰ ঠাইত অসমত ঋণদান জমাৰ হাৰ শতকৰা মাত্ৰ ৩৫.৭৫ ভাগহে । নিম্ন

হাৰৰ ঋণদান জমাৰ অনুপাতৰ কাৰণে চৰকাৰ চিন্তিত আৰু বেংক প্ৰতিষ্ঠান সমূহৰ কৰ্ত্তৃপক্ষক এই অনুপাত বৃদ্ধিৰ কাৰণে অনুৰোধ কৰি আহিছে । বেংকৰ অনাদায় হৈ থকা ঋণ সমূহ আদায় কৰাৰ বাবে বাকীজাই কৰ্ত্তৃপক্ষক সচেষ্ট কৰা হৈছে আৰু বেংক কৰ্ত্তৃপক্ষ আৰু চৰকাৰে যুটীয়া ভাৱে প্ৰচেষ্টা হাতত লৈছে ।

**ৰাজ্যিক বিত্ত ঃ**

৪৯। মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে যে ১৯৯৬-৯৭ আৰু ১৯৯৭-৯৮ চনৰ বাজেট উত্থাপনৰ সময়ত মই মোৰ বাজেট ভাষনত ৰাজ্যখনৰ শোচনীয় বিত্তীয় পৰিস্থিতিৰ বাখ্যা দাঙি ধৰিছিলো । চৰকাৰ বৰ্ত্তমানেও গভীৰ আৰ্থিক সংকটৰ মাজতে আছে । ৰাজ্য চৰকাৰে চলিত বিত্তীয় বৰ্ষৰ প্ৰতি মাহতে ২০০ কোটিতকৈও অধিক টকাৰ অভাৰ ড্ৰাফটৰ মাজেদি চলিব লগা হৈছে, যাৰ ফলতে ভাৰতীয় ৰিজাৰ্ভবেংকে সঘনে চৰকাৰী লেন-দেন সাময়িকভাৱে বন্ধ কৰি দিব লগা হৈছে । যোৱা দুটা বছৰৰ বাজেট ভাষণত ৰাজকোষৰ দৈন্যতাৰ কাৰণ সমূহ বিস্তৃতভাৱে বিশ্লেষণ কৰি আহিছো ।

৫০। ১-৪-৯৭ তাৰিখত ৰাজ্যখনৰ বকেয়া ঋণৰ বোজাৰ পৰিমাণ হল ৫৭১২ কোটি টকা । ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ হল ৩৯৯৮ কোটি টকা যিটো সৰ্ব্বমুঠ ঋণৰ প্ৰায় ৭০ শতাংশ । জনমুৰি ঋণৰ পৰিমাণ ২২২৩ টকা বুলি ঠাৱৰ কৰা হৈছে । ১-৪-৯৮ তাৰিখত বকেয়া ঋণৰ পৰিমাণ হ'ল অনুমানিক ৬১৩১ কোটি টকা আৰু জনমূৰি ঋণৰ বোজা । ২৩৪০ টকা হব বুলি অনুমান কৰা হৈছে । চলিত বছৰত ৰাজ্য চৰকাৰে ৮৮৫ কোটি টকাৰ ঋণ পৰিশোধ কৰিব লাগিব, তাৰে ৬৩২ কোটি টকা সূদৰ বাবে । চলিত বছৰত কেন্দ্ৰীয় চৰকাৰক সূদে-মূলে পৰিশোধ কৰিবলগীয়া টকাৰ পৰিমাণ হ'ল ৬১০ কোটি টকা ।

৫১। ৰাজ্য চৰকাৰৰ অধীনত ৰাজহুৱা প্ৰতিষ্ঠানবোৰে লোৱা ঋণৰ বাবদ ৰাজ্য চৰকাৰে ১-৪-৯৭ তাৰিখ পৰ্য্যন্ত ২০৪২ কোটি টকাৰ (Guarantee) দিছে । উক্ত প্ৰত্যাভূতি ফলস্বৰূপে অসম ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম লিমিটেড আৰু অসম পলিটেক্স লিমিটেডে পৰিশোধ কৰিব নোৱাৰা ঋণৰ পৰিশোধৰ দায়িত্ব চৰকাৰে লব লগা হৈছে । উপৰোক্ত অনুষ্ঠান দুটাৰ বাবদ চৰকাৰে ৪৭ কোটি টকা পৰিশোধ কৰা প্ৰতিশ্ৰুতি দি এতিয়ালৈকে ৪৩ কোটি টকা পৰিশোধ কৰিছে । তদুপৰি অসম বিদ্যুৎ পৰিষদে কেন্দ্ৰীয় খণ্ডৰ ৰাজহুৱা প্ৰতষ্ঠান সমূহক পৰিশোধ কৰিব নোৱাৰা বকেয়া ধনৰ বাবদ কেন্দ্ৰীয় চৰকাৰে, অসম চৰকাৰে পাবলগীয়া কেন্দ্ৰীয় সাহাৰ্য্যৰ পৰা উৎসতে ১৪৭ কোটি টকা কাটি ৰাখিছে ।

আনফালে পিয়াৰলেছ্ লিমিটেডৰ পৰা ১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ চনত লোৱা ঋণৰ বাবদ সুত সহ এই বছৰত পৰিশোধ কৰা ১২৬ কোটি টকাকে ধৰি এতিয়ালৈকে মুঠ ৫৫৯ কোটি টকা পৰিশোধ কৰিব লগা হৈছে ।

৫২। মূল্য বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত মৰগীয়া বানচৰ হাৰ বৃদ্ধি কৰাৰ কাৰণে ৰাজ্য চৰকাৰে কৰ্মচাৰী সকলৰ দৰমহা, মজুৰী, ভাট্টা আৰু পেঞ্চনাৰ সকলৰ পেঞ্চন আৰু মৰগীয়া বানচৰ বাবদ দিবলগীয়া ধন প্ৰতি মাহে বৃদ্ধি পাইছে । ১৯৯৭-৯৮ বছৰটোত দৰমহা আৰু পেঞ্চনৰ বাবে সৰ্বমুঠ ২৬৯৮ কোটি টকা খৰচ হব । এই ব্যয় পৰিকল্পনা বহিঃর্ভূত শিতানৰ ৰাজহ ব্যয়ৰ সৰ্ব্বমুঠ ৮৩ শতাংশ আৰু ৰাজ্য চৰকাৰৰ মুঠ ৰাজহ শিতানৰ ব্যয়ৰ সৰ্বমুঠ ৭১ শতাংশ ।

**দৰমহা সংশোধন ঃ**

৫৩। অসম চৰকাৰে ১৯৯৪ চনত গঠন কৰি দিয়া দৰমহা আয়োগে ১৯৯৭ চনৰ জুন মাহত প্ৰতিবেদন দাখিল কৰিছে । এই প্ৰতিবেদনৰ পৰামৰ্শৱলী ৰাজ্য চৰকাৰে কাৰ্য্যকৰী কৰাৰ আগয়েই, ভাৰত চৰকাৰে পঞ্চম দৰমহা আয়োগৰ পৰামৰ্শৱলীক স্বীকৃতি প্ৰদান কৰে যাৰ ফলত ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলৰ আশা আকাংক্ষা বৃদ্ধি পায় । ৰাজ্য চৰকাৰে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব শ্ৰীপ্ৰণৱ কুমাৰ বৰাৰ অধ্যক্ষতাত এখন ক্ষমতা সম্পন্ন কমিতি নিয়োগ কৰিছিল আৰু এই কমিতিয়ে ১৫-১১-৯৭ তাৰিখে কমিতিৰ পৰামৰ্শৱলী দাখিল কৰিছে ।

৫৪। ১৯৯৪ চনৰ অসম দৰমহা আয়োগে ইয়াৰ পৰামৰ্শৱলী কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰতিবছৰে ৩৫০ কোটি টকা অতিৰিক্ত খৰছ হ'ব বুলি উল্লেখ কৰিছে । [redacted] পঞ্চম কেন্দ্ৰীয় দৰমহা আয়োগৰ পৰামৰ্শৱলী কাৰ্য্যকৰী কৰিবলৈ বছৰি ১০০০ কোটি টকাৰ অধিক দৰকাৰ হব বুলি অনুমান কৰা হৈছে । বৃহৎ পৰিমাণৰ অৰ্থৰ প্ৰয়োজন আৰু কেন্দ্ৰীয় হাৰৰ লগত সমতা ৰাখি দৰমহা গাথনি প্ৰস্তুত কৰিবলৈ কৰ্মচাৰী সকলে কৰা দাবীৰ পৰিপ্ৰেক্ষিতত, পঞ্চম দৰমহা আয়োগ আৰু ক্ষমতা সম্পন্ন কমিতি তথা ৰাজ্যৰ সম্পদ আদি বিষয়ে পৰীক্ষা কৰি, চৰকাৰক পৰামৰ্শ দিবৰ বাবে গড়কাপ্তানী মন্ত্ৰী শ্ৰীঅতুল বৰাৰ অধ্যক্ষতাত ১৫-১২-৯৭ তাৰিখে এখন কেবিনেট উপসমিতি গঠন কৰা হৈছে । যোৱা ১৫-৩-৯৮ তাৰিখে উক্ত কেবিনেট উপসমিতিয়ে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিছে আৰু চৰকাৰেও অতি সোনকালে এই বিষয়ত চূড়ান্ত

সিদ্ধান্ত গ্ৰহণ কৰিব । যিকি নহওঁক বাজেটত দৰমহা সংশোধন শিতানত ৭০০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে ।

**ৰাজহ সংগ্ৰহ ঃ**

৫৫। ১৯৯৬-৯৭ চনৰ সময়ছোৱাত চৰকাৰে নিজৰ উৎসৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ আছিল ১০৮৯ কোটি টকা, ইয়াৰে ৭৬৭ কোটি টকা কৰ ৰাজহ আৰু ৩২২ কোটি টকা কৰ বিহীন ৰাজহ । কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ ১৯৯৬-৯৭ চনত হস্তান্তৰ কৰা ৰাজহৰ পৰিমাণ আছিল ২৭৬৭ কোটি টকা, ইয়াৰে ১১৭৬ কোটি টকা কেন্দ্ৰীয় কৰৰ অংশ হিচাবে আৰু ১৫৯১ কোটি টকা পৰিকল্পনা বহিঃৰ্ভূত, পৰিকল্পনা আৰু কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা আঁচনিৰ অধীনত সাহাৰ্য্য মঞ্জুৰী হিচাবে অসম চৰকাৰক দিছিল । মাননীয় সদস্য সকলে নিশ্চয় মন কৰিছে যে সৰ্বমুঠ ৰাজহ প্ৰাপ্তিৰ মাত্ৰ ২৮ শতাংশহে চৰকাৰে নিজৰ উৎসৰ পৰা সংগ্ৰহ কৰিছে । চৰকাৰৰ ১৯৯৭-৯৮ চনৰ সংশোধিত বাজেটত ৰাজহ সংগ্ৰহৰ পৰিমাণ হৈছে ১৩৩০ কোটি টকা । ইয়াৰে কৰ ৰাজহৰ পৰিমাণ হৈছে ৯৬৫ কোটি টকা আৰু কৰবিহীন ৰাজহ হৈছে ৩৬৫ কোটি টকা । ১৯৯৭-৯৮ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা হস্তান্তৰ কৰা হিচাবে ৩৩৯২ কোটি টকা ৰাজহ পোৱা হ'ব বুলি আশা কৰা হৈছে । ইয়াৰে ১৪১৫ কোটি টকা কেন্দ্ৰীয় কৰৰ অংশ আৰু ১৯৭৭ কোটি টকা পৰিকল্পনা বহিঃৰ্ভূত শিতান, পৰিকল্পনা শিতান আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি সমূহৰ কাৰণে কেন্দ্ৰীয় সাহাৰ্য্য । এইটো স্পষ্ট যে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ উৎস সীমিত ।

৫৬। মাননীয় সদস্য সকলৰ মনত আছে যে ১৯৯৭ চনৰ অসম কৰ (বিলাস সামগ্ৰী) বিধেয়ক উপস্থাপন কৰোতে মই পবিত্ৰ সদনত উল্লেখ কৰিছিলো যে প্ৰতি বছৰে এই কৰৰ পৰা ১৪ কোটি টকা সংগ্ৰহ হ'ব । মাননীয় সদস্য সকলে জানি সুখী হ'ব যে এই আইনখন ১-৮-৯৭ তাৰিখৰ পৰাহে কাৰ্য্যকৰী হৈছে যদিও ১৯৯৭-৯৮ চনত ৮ মাহৰ সময়ছোৱাত আমি প্ৰায় ৯ কোটি টকা সংগ্ৰহ কৰিব পাৰিম বুলি আশা কৰিছো । সেইদৰে অসম নিৰ্দ্ধাৰিত ভূমিৰ (Specified Land) সংশোধিত কৰ অনুসৰি প্ৰতি কিলোগ্ৰাম চাহৰ কৰ ১৮ পইচাৰ পৰা ৩০ পইচালৈ বৃদ্ধি কৰাত আমি অতিৰিক্ত ৩০ কোটি টকা সংগ্ৰহ কৰিব পাৰিম বুলি আশা কৰিছো । কৃষি আয় কৰৰ হাৰ ৬০ শতাংশৰ পৰা ৪৫ শতাংশলৈ হ্ৰাস পাইছে যদিও ১৯৯৭ চনত চাহৰ উৰ্দ্ধগামী দামৰ কাৰণে আগৰ বছৰৰ ৩৫ কোটি টকাৰ বিপৰীতে ১৯৯৭-৯৮ চনত কৃষি আয়কৰ হিচাবে ৪১ কোটি টকা সংগ্ৰহ কৰাৰ আশা কৰিছো । চাহ উদ্যোগে ৰাজ্যিক ৰাজহলৈ গড় হিচাবে প্ৰতি বছৰত প্ৰায় ১১০ কোটি টকা অৰিহণা দি আহিছে । কিন্তু মই ব্যক্তিগত ভাৱে অনুভৱ ক'ৰো যে এই ৰাজহৰ পৰিমাণ বহু

বেছি হোৱাৰ পৰিসৰ আছে । অৱশ্যে মই চাহ উদ্যোগ আৰু ইয়াৰ লগত জড়িত কৰ্মী সকলৰ কল্যাণৰ ক্ষতিৰ বিনিময়ত বৃদ্ধিৰ পোষকতা নকৰো । সদনৰ যোৱা বাজেট অধিবেশনত অনুমোদন কৰা ভূমি ৰাজহ সম্পৰ্কীয় আইনৰ সংশোধনৰ অনুযাই ভূমি ৰাজহৰ হাৰ বৃদ্ধি কৰাৰ ফলত ১৯৯৭-৯৮ চনত প্ৰায় ১৬ কোটি টকা ৰাজহ পোৱা যাব বুলি অশা কৰা হৈছে ।

৫৭। বিদেশী সুৰাৰ আৰু দেশী সুৰাৰ বিক্ৰীকৰ আবকাৰী শুল্কৰ লগত সংলগ্ন কৰা আৰু ১-৪-৯৭ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ অন্যান্য কৰৰ হাৰ সংশোধন কৰাৰ ফলস্বৰূপে চৰকাৰে ১৯৯৭-৯৮ চনৰ বছৰটোৰ শেষলৈ প্ৰায় ৭৫ কোটি টকা আবকাৰী ৰাজহ হিচাবে সংগ্ৰহ কৰাৰ আশা কৰিছে । কঠোৰ নিৰীক্ষণৰ কাৰণে যানবাহনবোৰে অত্যাধিক বোজা কঢ়িয়াই অনাটো হ্ৰাস পোৱাত জৰিমণা হিচাবে আদায় কৰা যানবাহনৰ কৰ বৃদ্ধি হোৱাটো আশা কৰিব নোৱাৰি ।

৫৮। প্ৰতি মেট্ৰিকটন খাৰুৱা তেলত অধিকাৰ শুল্ক (Royalty) ৫৭৮ টকা হাৰে ১৯৯৭-৯৮ চনৰ সময়ছোৱাত তেলৰ অধিকাৰ শুল্ক হিচাবে ২৮৯ কোটি টকা প্ৰাপ্তিৰ আশা কৰা হৈছে । খাৰুৱা তেলৰ আমদানিকৃত দামৰ লগত সমতা ৰাখি প্ৰতি মেট্ৰিকটন তেলৰ অধিকাৰ শুল্কৰ হাৰ ১২০৪ টকালৈ পুনৰ সংশোধন কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেঁচা দি আহিছে ।

৫৯। মাননীয় সদস্য সকলে জানে যে ৰাজ্যখনৰ মুঠ ক্ষুদ্ৰ সঞ্চয় সংগ্ৰহৰ ৭৫ শতাংশ ৰাজ্য চৰকাৰে ঋণ হিচাবে ভাৰত চৰকাৰৰ পৰা লাভ কৰে । ১৯৯৭-৯৮ চনৰ বাৰ্ষিক পৰিকল্পনাত সম্পদ হিচাবে দেখুওৱা ৩০০ কোটি টকাৰ বিপৰীতে ক্ষুদ্ৰ সঞ্চয়ৰ ক্ষেত্ৰত আমি ১৯৯৭-৯৮ চনৰ বছৰটোত, ১৯৯৮ চনৰ জানুৱাৰী মাহলৈকে ১৯৪ কোটি টকা ঋণ হিচাবে পাইছো ।

**কৰ প্ৰস্তাৱ ঃ**

৬০। অধ্যক্ষ মহোদয়, মই এতিয়া কৰ প্ৰস্তাৱ সম্বন্ধে কব খুজিছো । বৰ্ত্তমান চৰকাৰখনে সম্মুখীন হোৱা আৰ্থিক সংকটৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সম্পদৰ আহৰণৰ বাহিৰে কোনো গত্যন্তৰ নাই ।

**অসম সাধাৰণ বিক্ৰী কৰ আইন, ১৯৯৩ ঃ**

৬১। বিক্ৰী কৰ হৈছে ৰাজ্যখনৰ কৰ ৰাজহৰ একক সৰ্ববৃহৎ উৎস । ই ৰাজ্যখনৰ সংগৃহীত সমুদায় কৰ ৰাজহৰ ৬৫ শতাংশ । মাননীয় সদস্য সকলে নিশ্চয় একমত যে সৰ্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰা খাদ্য সামগ্ৰীৰ বাহিৰে বিক্ৰী কৰ আৰোপ কৰিব পৰা অন্য সামগ্ৰী নাই । সেয়েহে ইতিমধ্যে মুদ্ৰাস্ফীতিৰ দ্বাৰা জুৰুলা হোৱা জনসাধাৰণৰ ওপৰত কোনো অতিৰিক্ত কৰৰ বোজা জাপি দিয়া অভিপ্ৰায় চৰকাৰৰ নাই ।

৬২। সৰ্ব্বসাধাৰণ ৰাইজক প্ৰভাম্বিত নকৰাকৈ ৰাজ্যৰ কৰ ৰাজহ বৃদ্ধি কৰাৰ উদ্দেশ্যে মই যিসকল ডাঙৰ ব্যৱসায়ীৰ বছৰেকীয়া কৰযুক্ত মুঠ বিক্ৰী তিনি লাখ টকাৰ বেছি হয় তেওঁলোকে পৰিশোধ কৰিব লগীয়া কৰৰ ওপৰত এক অতিৰিক্ত কৰ আৰোপ কৰিব খুজিছে । এই কৰৰ পৰিমাণ পৰিশোধ কৰা বা কৰিব লগীয়া কৰৰ ১০ শতাংশ হব আৰু এই কৰ গ্ৰাহকৰ পৰা সংগ্ৰহ কৰিব নোৱাৰিব । এনে কৰৰ পৰা অতিৰিক্ত ২০ কোটি টকাৰ ৰাজহ সংগ্ৰহ হ'ব বুলি আশা কৰা হৈছে ।

৬৩। এইটো লক্ষ্য কৰা হৈছে যে উৎপাদনকাৰী কোম্পানীসমূহে তেওঁলোকৰ ব্যৱসায়ীক লেনদেন কৰা কোম্পানীক প্ৰচলিত বজাৰ দৰতকৈ যথেষ্ট কম মূল্যত পেট্ৰলজাত সামগ্ৰী বিক্ৰী কৰি আছে । পেট্ৰলজাত সামগ্ৰীৰ ওপৰত প্ৰথম বিক্ৰীৰ সময়তে কৰ আৰোপ কৰা হয় । গতিকে চৰকাৰে শোধানাগাৰৰ নুন্যতম মূল্যত, যি মূল্যত উৎপাদনকাৰী কোম্পানীবোৰে বজাৰত বিক্ৰী কৰা কোম্পানীবোৰক পেট্ৰলজাত সামগ্ৰী বিক্ৰী কৰে, সেই বিক্ৰী দামৰ ওপৰতে কৰ পাই আছে । গতিকে অসম সাধাৰণ বিক্ৰী কৰ (AGST) আইন ১৯৯৩ ৰ দফাবোৰ এনেভাৱে সংশোধন কৰিবলৈ বিচৰা হৈছে যাতে ৰাজ্যখনৰ ভিতৰত ব্যৱসায়ীক লেনদেন কৰা কোম্পানীবোৰে ৰাজ্যখনৰ ভিতৰত কিনা পেট্ৰলজাত সামগ্ৰী সমূহ ৰাজ্যখনৰ ভিতৰত তেল কোম্পানীৰ বাদে আনক বিক্ৰী কৰিলে কৰ আৰোপ কৰিব পৰা যায় । এই ব্যৱস্থাৰ দ্বাৰা ৰাজ্যখনৰ ৰাজকোষত অতিৰিক্ত ১৫ কোটি টকা ৰাজহ সংগ্ৰহ হ'ব । চলিত বিধান সভা অধিবেশনত এই সংক্ৰান্তত এখন বিধেয়ক উত্থাপন কৰা হ'ব ।

৬৪। মাননীয় সদস্য সকলে বোধহয় জানে যে থলুৱা উদ্যোগী তথা ব্যৱসায়ী সকলে ৰাজ্যিক চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজহুৱা খণ্ডৰ বিভিন্ন সংস্থা সমূহত সামগ্ৰী যোগান ধৰাত ৰাজ্যখনৰ বাহিৰৰ উদ্যোগী তথা ব্যৱসায়ী সকলৰ লগত সমানে ফেৰ মাৰিব নোৱাৰে । যাৰ ফলত ৰাজ্য চৰকাৰেও কৰ ৰাজহ কিছু পৰিমানে হেৰুৱাব লগাত পৰিছে । ইয়াৰ কাৰণ হৈছে যে ৰাজ্যখনৰ বাহিৰৰ যোগানকাৰী সকলে কেন্দ্ৰীয় বিক্ৰীকৰ মাত্ৰ ৪

শতাংশহে দাবী কৰে আনহাতে থলুৱা উদ্যোগী তথা ব্যৱসায়ী সকলে ৮ ৰ পৰা ১৪ শতাংশ পৰ্য্যন্ত স্থানীয় বিক্ৰীকৰ দাবী কৰে । ইয়াৰ কাৰণে বিক্ৰী মূল্য স্বাভাৱিকতে বৃদ্ধি হয় । গতিকে মই চৰকাৰ বা ৰাজহুৱা খণ্ডত যোগান ধৰিব লগীয়া বিভিন্ন সা-সামগ্ৰী যেনে- স্বাস্থ্য বিভাগৰ সা-সৰ্জুঁলি, সকলো ধৰণৰ আঁচবাব পত্ৰ, ৰিফ্ৰিজাৰেটৰ আৰু এয়াৰ কণ্ডিচনাৰ, পানী যোগান আৰু ছেনিটেচন সা-সৰ্জুঁলি, কম্পিউটাৰ, ফেক্স মেচিন, অগ্নি প্ৰতিৰোধৰ সা-সৰ্জুঁলি, পানী ফিল্টাৰ, মমজাতীয় সামগ্ৰী, কাৰ্বন ব্ৰাছ, ষ্টীল আৰু লোহাৰ সামগ্ৰী, কৰুগেটেড কাগজ আৰু বাকচ, ধাতু যুক্ত আৰু ধাতুহীন সা-সামগ্ৰী, ষ্টীল, কাঠ আৰু এলুমিনিয়াম দুৱাৰ আৰু চৌকাঠ সমূহৰ ওপৰত স্থানীয় কৰ শতকৰা ৪ ভাগলৈ হ্ৰাস কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো । স্থানীয় ব্যৱসায় আৰু ঔদ্যোগিক সকল লাভবান হব পৰা অধিসূচনাখন, যাৰ ফলত পৰোক্ষভাৱে ৰাজহ বৃদ্ধি পাব, সোনকালে জাৰি কৰি তাৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হব ।

**বৃত্তি আৰু বাণিজ্যিক কৰ ঃ**

৬৫। মাননীয় অধ্যক্ষ মহোদয় বৃত্তি আৰু বাণিজ্যিৰ পৰা হোৱা আয়ৰ নিৰিখ নিৰ্দ্ধাৰিত হাৰত ধাৰ্য্য কৰা হয় । বছৰৰ পিছত বছৰ ধৰি টকাৰ মূল্য হ্ৰাস হোৱা হেতুকে, বৃত্তি কৰৰ নিৰিখ পুনৰ নিৰ্দ্ধাৰণ কৰাৰ প্ৰয়োজন হৈ পৰিছে । গতিকে "অসম প্ৰফেছন, ট্ৰেড্‌চ, কলিং এণ্ড এমপ্লয়মেন্ট টেক্‌চেচন এক্ট, ১৯৪৭" ৰ অধীনত বৃত্তি কৰৰ উৰ্দ্ধতম সীমা বছৰেকত ১৫৩৬ টকাৰ পৰা ২২৫০ টকালৈ বঢ়োৱাৰ প্ৰস্তাৱ কৰিছো । কৰৰ নিম্ন হাৰ সমূহ সমানুপাতিক হাৰত সংশোধন কৰা হ'ব । অৱশ্যে দৰমহা আৰু মজুৰিধাৰী সকলৰ ক্ষেত্ৰত ৰেহাই সীমা বছৰেকীয়া মুঠ আয় ৪২০০০ টকালৈ আৰু বছৰেকীয়া মুঠ বিক্ৰীৰ ওপৰত কৰ দিবল'গীয়া ব্যৱসায়ী সকলৰ বাহিৰে অন্য লোকসকলৰ ক্ষেত্ৰত ৪০০০০ টকালৈ বৃদ্ধি কৰা হৈছে । ইয়াৰ পৰা অতিৰিক্ত ১০ কোটি টকা কৰ ৰাজহ আহিব বুলি অনুমান কৰা হৈছে ।

**নিৰ্দ্ধাৰিত ভূমি কৰ ঃ**

৬৬। নতুন কৰ আৰোপ কৰি মই চাহ শিল্পৰ ওপৰত অতিৰিক্ত কৰৰ বোজা জাপি দিয়া ইচ্ছা নাছিল । কিন্তু মাননীয় সদস্যসকল নিশ্চয় একমত যে চাহ শিল্পক বাদ দি সম্পদ বৃদ্ধি কৰাটো সম্ভৱ নহয় । চাহৰ উৎপাদন ক্ষমতা বৃদ্ধি আৰু সন্তোষজনক বজাৰ দৰৰ প্ৰতি লক্ষ্য ৰাখি মই ১৯৯০ চনৰ অসম কৰ (নিৰ্দ্ধাৰিত ভূমিৰ) অধীনৰ কৰৰ হাৰ প্ৰতি বছৰে উৎপাদিত প্ৰতি কেজি চাহ পাতৰ ওপৰত ২ পইচাকৈ বঢ়াব খুজিছো । অৱশ্যে যি সকল চাহ খেতিয়কৰ নিৰ্দ্ধাৰিত ভূমি ৪০ হেক্টৰৰ বেছি নহয় তেওঁলোকৰ কাৰণে এই কৰ

আগৰ দৰে প্ৰতি কেজিত ২০ পইচাকৈ থাকিব । ইয়াৰ পৰা সংগৃহীত ৰাজহৰ টকাখিনি তিনিখন বিশ্ববিদ্যালয় আৰু তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ উন্নয়নৰ কাৰণে খৰছ কৰা হ'ব ।

**প্ৰবেশ কৰঃ**

৬৭। অসমৰ চুবুৰীয়া ৰাজ্য সমুহত কিছুমান সামগ্ৰীৰ ওপৰত কৰ নথকা বা কৰৰ হাৰ্ নিচেই কম হোৱা কাৰণে, অসমৰ ব্যৱসায় বৰ্হিমুখী হোৱা কথাটো মাননীয় সদস্য সকলে নিশ্চয় জানে । চিমেন্ট, মটৰ গাড়ী, কাপোৰ, ইলেক্ট্ৰনিক সৰঞ্জাম, কম্পিউটাৰ ইত্যাদি বস্তুবোৰ অসমত ব্যৱহাৰ বা উপভোগৰ বাবে অসমৰ বাহিৰৰ পৰা কিনি অনা হয় । ফলস্বৰূপে ৰাজ্যখনে কৰ ৰাজহৰ পৰা বঞ্চিত হৈ আহিছে, কাৰণ বাহিৰৰ পৰা কিনি অনা এনে সামগ্ৰীৰ ওপৰত অসমত কোনো ধৰণৰ কৰ আৰোপ কৰা নহয় । সেয়েহে মই কিছুমান নিৰ্দ্ধাৰিত সামগ্ৰীৰ ওপৰত প্ৰবেশ কৰ আৰোপ কৰাৰ প্ৰস্তাৱ কৰিছো আৰু এই অসম প্ৰবেশ কৰ বিল যথাসময়ত সদনত উত্থাপন কৰা হ'ব । উল্লেখযোগ্য যে এনে ধৰণৰ প্ৰবেশ কৰৰ ব্যৱস্থা কৰ্ণাটক, মহাৰাষ্ট্ৰ, কেৰেলা আদি ৰাজ্য সমূহতো আছে । এই কৰ আৰোপ কৰাৰ পিছত, ৰাজকোষলৈ অতিৰিক্ত ১৫ কোটি টকাৰ অৰিহণা যোগাব ।

৬৮। ইয়াৰোপৰি সম্পদ আহৰণৰ কাৰণে চৰকাৰে তলত উল্লেখ কৰা ব্যৱস্থা সমূহ লোৱাৰ সিদ্ধান্ত কৰিছে ।

(i) বিস্তৃত জৰীপৰ জৰিয়তে কৰ দিব পৰা ব্যৱসায়ী সকলক চিহ্নিত কৰি কৰ আৰোপৰ পৰিসৰ বৃদ্ধি কৰা ।

(ii) তালাচী চকী সমূহ সক্ৰিয় কৰা আৰু নিৰ্দ্দিষ্ট লেন-দেন কৰা ঠাই সমূহত চলোৱা তালাচীৰ জৰিয়তে কৰ ফাঁকি দিওঁতাৰ ওপৰত চোকা দৃষ্টি ৰখা ।

(iii) আইন উলংঘাকাৰীৰ ওপৰত গোচৰ তৰাকে ধৰি কঠোৰ দণ্ড বিধান কৰা আদি ।

৬৯। মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে কৰদাতা সকলৰ সময়, শক্তিৰ অপচয় হ্ৰাস কৰাৰলৈ লক্ষ্য ৰাখি অসম সাধাৰণ বিক্ৰীকৰ আইন, কেন্দ্ৰীয় বিক্ৰীকৰ আইন, কৃষি আয়কৰ আইন, অসম কৰ ( নিৰ্দ্ধাৰিত ভূমি) আইনৰ অধীনত কৰ

সমূহ সহজে জমা কৰিবৰ বাবে সৰল পদ্ধতি গ্ৰহণ কৰা হৈছে । ১৯৯৮-৯৯ চনৰ পৰা কৰ দাতা সকলে বিভাগীয় কাৰ্য্যালয় আৰু কোষাগাৰলৈ নোযোৱাকৈ চালানৰ জৰিয়তে পোনপটীয়াকৈ বেংকত কৰ জমা দিব পাৰিব ।

**হিচাব ১৯৯৬-৯৭ ঃ**

৭০। মহাগাননিকে দিয়া হিচাব অনুসৰি ১৯৯৬-৯৭ চনৰ বছৰটোৰ সামৰণি পৰিছিল প্ৰায় ১৯.০২ কোটি টকাৰ ৰাহিৰে । বছৰটোৰ একত্ৰীকৃত নিধি, উপনিমিত্ত পুঁজি আৰু ৰাজহুৱা হিচাবৰ পৰা প্ৰকৃত প্ৰাপ্তিৰ পৰিমাণ আছিল ৮৪৭৩.৮৯ কোটি টকা। ইয়াৰ বিপৰীতে বছৰটোত মুঠ প্ৰকৃত ব্যয়ৰ পৰিমাণ আছিল ৮৪৭৩.৯৪ কোটি টকা । সেই বাবে চলিত লেন-দেনৰ হিচাবত ০.০৫ কোটি টকা ঘাটি হৈছিল । আৰম্ভণিৰ হিচাবত ১৯.০৭ কোটি টকাৰ ৰাহি লৈ ১৯৯৬-৯৭ চনৰ বছৰটোৰ ১৯.০২ কোটি টকাৰ ৰাহিৰে সামৰণি পৰিছিল । অৱশ্যে ৩১-৩-৯৭ তাৰিখে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ লগত থকা ৰাজ্যিক চৰকাৰৰ হিচাব মতে চৰকাৰৰ ২৯৭ কোটি টকাৰ ঘাটি আছিল । ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হিচাব মহাগাননিক কাৰ্য্যালয়ে সময় মতে নোপোৱাৰ কাৰণেই মহাগাননিক আৰু ৰিজাৰ্ভ বেংকৰ হিচাবত পাৰ্থক্য থাকি যায় ।

**সংশোধিত প্ৰাককলন ১৯৯৭-৯৮ ঃ**

৭১। ১৯৯৭-৯৮ চনৰ বাজেটত আৰম্ভণি ঘাটিৰ ৩৫৪.৪৩ কোটি টকা ধৰি সৰ্বমুঠ ৬৩৬.৫৮ কোটি টকা ঘাটি হ'ব বুলি ধৰা হৈছিল । অৱেশ্যে সংশোধিত প্ৰাককলনৰ হিচাবে বছৰটোৰ লেন-দেনত মুঠ ১৫৪.১৭ কোটি টকাৰ ঘাটি হয় । কিন্তু ১৯.০২ কোটি টকাৰ আৰম্ভণি ৰাহি ধৰি ১৩৫.১৫ কোটি টকাৰ, ঘাটিৰে সামৰণি পৰিব বুলি অনুমান কৰা হৈছে ।

**প্ৰাককলন ১৯৯৮-৯৯ ঃ**

৭২। ১৯৯৮-৯৯ চনৰ বাজেটত একত্ৰীকৃত নিধিত ৬৪৭০.৯৪ কোটি টকা ৰাজহ ধৰা হৈছে, তাৰে ১৩৫০.০৩ কোটি টকা মূলধন শিতানত আৰু ৫১২০.৯১ কোটি টকা ৰাজহ শিতানত । একত্ৰীকৃত নিধিৰ বিভিন্ন শিতানত হব পৰা জমাৰ হিচাব ১ নং চিত্ৰত দেখুৱা হৈছে । যি কি নহওক ৰাজহুৱা শিতানৰ ১৫৩২.৮৭ কোটি টকা ধৰি সৰ্বমুঠ ৰাজহ ৮০০৩.৮১ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে । ১৯৯৮-৯৯ চনৰ বাজেটত একত্ৰীকৃত নিধিৰ পৰা ৭০৮৪.৮১ কোটি টকা ব্যয় হ'ব বুলি ধৰা হৈছে, তাৰে ৫৪৮১.৯২ কোটি টকা


ৰাজহ শিতান আৰু ১৬০২.৮৯ কোটি টকা মূলধন শিতানত । বিভিন্ন শিতানত হব পৰা খৰছৰ হিচাব ২ নং চিত্ৰত দেখুওৱা হৈছে । ইয়াৰ লগত ৰাজহুৱা শিতানত ধৰা ব্যয় ১৫৪৫.৮৭ কোটি টকা ধৰিলে মূঠ ৮৬৩০.৬৮ কোটি টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে । গতিকে বছৰটোত হোৱা লেন-দেনৰ পিছত মুঠ ৬২৬.৮৭ কোটি টকা ঘাটি হ'ব বুলি হিচাব কৰা হৈছে আৰু আৰম্ভণি ঘাটি ১৩৫.১৫ কোটি টকা ধৰি শেষত সৰ্বমুঠ ঘাটি ৭৬২.০২ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে । বছৰটোত হব লগা লেন-দেনৰ হিচাব পৰিশিষ্টত দেখুৱা হৈছে ।

৭৩। আয় আৰু ব্যয়ৰ মাজত বিসংগতিৰ কাৰণে ঘাটি বাজেট হোৱাটো অনিবাৰ্য্য । যিকি নহওঁক এই বিপুল পৰিমাণৰ ঘাটিৰ জোৰা মাৰিবৰ বাবে মই নতুন কৰৰ প্ৰস্তাৱ আনিছো । তাৰোপৰি তেলৰ ৰয়েল্টিৰ হাৰ সংশোধনৰ পৰিপ্ৰেক্ষিতত পাব লগা অতিৰিক্ত পূঁজি, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰা আইন শৃংখলা ৰক্ষা বাবদ পাব লগা পূঁজি নতুন বিতৰণ বিধিৰ পৰা পাবল'গীয়া অতিৰিক্ত কেন্দ্ৰীয় কৰৰ অংশ । মই ঘাটি পুৰণ কৰাৰ আশা ৰাখিছো । তদুপৰি চৰকাৰী ব্যয় সমূহত কঠোৰ মিতব্যয়িতাৰ অৱলম্বন কৰাৰ প্ৰস্তাব ৰখা হৈছে । অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই পবিত্ৰ সদনৰ মাননীয় সদস্য সকলৰ পৰা সহায় সহযোগিতা বিচাৰিছো ।

৭৪। মাননীয় সদস্য সকলৰ এই কথা অবগত যে, অসম বিধান সভাৰ কাৰ্য্যক্ৰম আৰু কাৰ্য্য ব্যৱস্থাৰ নিয়মাৱলীৰ ২৬০ (এইচ) ৰ অধীনত মাননীয় অধ্যক্ষ মহোদয়ে বিভাগীয় স্থায়ী কমিটিবোৰ গঠন কৰিছে । এই কমিটিবোৰে সংশ্লিষ্ট বিভাগৰ মঞ্জুৰীৰ দাবীসমূহ পৰীক্ষা নিৰীক্ষা কৰিব । সেয়ে মই ১৯৯৮-৯৯ চনৰ প্ৰথম তিনিমাহৰ বাবে ব্যয়ৰ লেখানুদান (Vote-on -account ) উত্থাপন কৰিব বিচাৰিছো ।

অধ্যক্ষ মহোদয়, এইখিনি কথাৰেই মই ১৯৯৮-৯৯ চনৰ বাজেটখন পবিত্ৰ সদনৰ বিবেচনাৰ বাবে আগবঢ়ালোঁ ।


## ESTIMATES OF INFLOWS INTO THE CONSOLIDATED FUND OF THE STATE IN 1998-99




চিত্র নং ১

# ESTIMATES OF OUTFLOWS FROM THE CONSOLIDATED FUND OF THE STATE IN 1998-99

Rupees in Crores




চিত্ৰ নং - ২

## পৰিশিষ্ট

### লেনদেনৰ সংক্ষিপ্ত বিবৰণ

(কোটি টকাৰ হিচাপত)

| | প্ৰকৃত ১৯৯৬-৯৭ | বাজেট প্ৰাক্কলন ১৯৯৭-৯৮ | সংশোধিত প্ৰাক্কলন ১৯৯৭-৯৮ | বাজেট প্ৰাক্কলন ১৯৯৮-৯৯ |
|---|---|---|---|---|
| **(ক) প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| বাজহ হিচাপ | ৩৮৫৫.৮২ | ৪৪৪২.৯৩ | ৪৭২১.৪৩ | ৫১২০.৯১ |
| মূলধন হিচাপ | ৩১৩৭.১৯ | ১৩৬২.০৪ | ১৩৫৪.৭৫ | ১৩৫০.০৩ |
| **মুঠ** | **৬৯৯৩.০১** | **৫৮০৪.৯৭** | **৬০৭৬.১৮** | **৬৪৭০.৯৪** |
| ২। আকস্মিক নিধি হিচাপ | – | – | – | – |
| ৩। ৰাজহুৱা হিচাপ | ১৪৮০.৮৮ | ১৫০৯.২৮ | ১৫০৯.২৮ | ১৫৩২.৮৭ |
| **সৰ্ব্ব মুঠ- (১+২+৩)** | **৮৪৭৩.৮৯** | **৭৩১৪.২৫** | **৭৫৮৫.৪৬** | **৮০০৩.৮১** |
| **(খ) ব্যয়** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| বাজহ হিচাপ | ৩৫৭১.৩১ | ৪৬২৮.৩৭ | ৪৭৫৯.৪০ | ৫৪৮১.৯২ |
| মূলধন হিচাপ | ৩১৬৯.৩৮ | ১৫৩৩.১১ | ১৫৪৫.৩১ | ১৬০২.৮৯ |
| **মুঠ-** | ৬৭৪০.৬৯ | ৬১৬১.৪৮ | ৬৩০৪.৭১ | ৭০৮৪.৮১ |
| ২। আকস্মিক নিধি হিচাপ | | | | |
| ৩। ৰাজহুৱা হিচাপ | ১৭৩৩.২৫ | ১৪৩৪.৯২ | ১৪৩৪.৯২ | ১৫৪৫.৮৭ |
| **সৰ্ব্ব মুঠ- (১+২+৩)** | **৮৪৭৩.৯৪** | **৭৫৯৬.৪০** | **৭৭৩৯.৬৩** | **৮৬৩০.৬৮** |
| **(গ) বছৰটোৰ ভিতৰত লেন-দেন** | | | | |
| বাহি (+) | – | – | – | – |
| ঘাটি (-) | (−) ০.০৫ | (−) ২৮২.১৫ | (−) ১৫৪.১৭ | (−) ৬২৬.৮৭ |
| **(ঘ) আৰম্ভনিৰ হিচাব** | | | | |
| বাহি (+) | (+) ১৯.০৭ | – | (+) ১৯.০২ | – |
| ঘাটি (-) | – | (−) ৩৫৪.৪৩ | – | (−) ১৩৫.১৫ |
| **(ঙ) সামৰনিৰ হিচাব** | | | | |
| বাহি (+) | (+) ১৯.০২ | – | – | – |
| ঘাটি (-) | – | (−) ৬৩৬.৫৮ | (−) ১৩৫.১৫ | (−) ৭৬২.০২ |